Content includes AI-generated material

**লীনা দলে ধুবুৰীৰ নতুন এছপি**

ই-সংবাদ বিশেষ, ১৩ জুনঃ ৭ জুন তথা ঈদৰ দিনা পুৱাই ধুবুৰী জিলাৰ বালুৰচৰৰ হনুমান মন্দিৰৰ কাষত ৫ পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, JUNE 14, 2025 ■ শনিবাৰ, ৩০ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৬১ Guwahati, Assam ।। মূল্যঃ এটকা

অসমৰ সাহিত্য জগতত শোকৰ ছাঁ

## গোপনে অজানা দেশলৈ গুচি গ'লগৈ খেয়ালি মনৰ কবি বিপুল কুমাৰ দত্ত



ই-সংবাদ, ১৩ জুনঃ খেয়ালি মনৰ মানুহজন কেতিয়াও উভতি নহা বাটেৰে গুচি গ'ল। পাগলাদিয়া নৈৰ পাৰ, হোটেল, ৪ পৃষ্ঠাত চাওক

একমাত্ৰ জীৱিত যাত্ৰীগৰাকীৰ সৈতে বাৰ্তালাপ

## বিমান দুৰ্ঘটনাস্থলীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী



আহমেদাবাদ, ১৩ জুনঃ বৃহস্পতিবাৰৰ ভয়াৱহ বিমান দুৰ্ঘটনাৰ পিছত দেশজুৰি সৃষ্টি হোৱা শোকৰ পৰিৱেশৰ মাজতে শুকুৰবাৰে আহমেদাবাদৰ দুৰ্ঘটনা ২ পৃষ্ঠাত

## ওলাব প্ৰকৃত কাৰণ, ব্লেক বক্স কৰিলে উদ্ধাৰ

আহমেদাবাদ, ১৩ জুনঃ এটা অভিশপ্ত দিনৰ অন্তত ধ্বংসস্তূপৰ সমাধিক্ষেত্ৰলৈ পৰিণত হৈছে ২ পৃষ্ঠাত

## দিল্লী অভিমুখী বিমানৰ ফুকেটত জৰুৰী লেণ্ডিং

ফুকেট, ১৩ জুনঃ বৃহস্পতিবাৰে গুজৰাটৰ আহমেদাবাদত সংঘটিত হয় ইতিহাসৰ অন্যতম ৫ পৃষ্ঠাত

'শ্বুট এট ছাইট'ৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ, চাৰ্কিট হাউছত জৰুৰী বৈঠক

# দেখিলেই গুলী! ধুবুৰীত আৰক্ষীয়ে ৰুধিব অতপালি



■ দিনত ধুবুৰী জিলা ভ্ৰমণ, ৰাতি বদলি কৰিলে এছপি! বাংলাদেশী মৌলবাদীৰ ধুবুৰীক অস্থিৰ কৰাৰ প্ৰয়াস

ই-সংবাদ, ১৩ জুনঃ ৭ জুন তথা ঈদৰ দিনটোৰ পৰাই ধুবুৰী জিলাত তীব্ৰ উত্তেজনা অব্যাহত আছে। দুটা পক্ষৰ মাজত সংঘাত অব্যাহত আছে। ঈদৰ দিনা পুৱাই ধুবুৰী জিলাৰ বালুৰচৰস্থিত হনুমান মন্দিৰৰ কাষত সন্দেহজনক ৩ পৃষ্ঠাত

## অঘটনৰ পিছতে সচেতন! বিমানৰ সুৰক্ষা নিশ্চিত কৰাক লৈ জৰুৰী নিৰ্দেশনা

আহমেদাবাদ, ১৩ জুনঃ প্ৰায় ২৬৫ জন লোকৰ প্ৰাণনাশী বৃহস্পতিবাৰৰ ভয়াৱহ বিমান দুৰ্ঘটনাৰ পিছতে বিমান ৪ নং পৃষ্ঠাত

## নাই প্ৰতিদ্বন্দ্বী! ৰাজ্যসভালৈ নিৰ্বাচিত বীৰেন্দ্ৰ-কণাড





ই-সংবাদ, ১৩ জুনঃ অসমৰ খালী হোৱা ৰাজ্যসভাৰ দুয়োখন আসনত এনডিএৰ প্ৰাৰ্থী কনাড ৩ পৃষ্ঠাত চাওক

## জে'লতে পুনৰ গ্ৰেপ্তাৰ অভিযুক্ত চিন্ময় লহকৰ

জু-ৰোড গ্ৰেনেড বিস্ফোৰণ কাণ্ড

ই-সংবাদ, ১৩ জুনঃ জু-ৰোড গ্ৰেনেড বিস্ফোৰণ কাণ্ডৰ মুখ্য অভিযুক্ত চিন্ময় লহকৰে প্ৰায় ৬ বছৰ কাৰাবন্দী অৱস্থাত কটাই আজি জে'লৰ পৰা ওলাই অহাৰ কথা আছিল। কিন্তু মুকলি আকাশৰ তললৈ অহাৰ পূৰ্বেই পুনৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ ৩ পৃষ্ঠাত

মিত্ৰতালৈ সেউজ সংকেত সভাপতি গৌৰৱৰ

## প্ৰত্যাহ্বান আছে, কিন্তু সকলো মিলি একলগ হৈ যুঁজ দিয়াৰ অংগীকাৰ



ই-সংবাদ, ১৩ জুনঃ আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ৰাজীৱ ভৱনত এখন সংবাদমেল সম্বোধন কৰি মিত্ৰতা সন্দৰ্ভত তাৎপৰ্যপূৰ্ণ ৬নং পৃষ্ঠাত



## ট্ৰেফিকৰ বাবেই ৰক্ষা পৰিল ভূমি চৌহানৰ জীৱন

আহমেদাবাদ, ১৩ জুনঃ যেতিয়া ভাগ্যই কাৰোবাক বচাব বিচাৰে, ৩ পৃষ্ঠাত

## হায়ৰে গৰম! অসমত কাঢ়িলে কেবাজনৰো প্ৰাণ

গুৱাহাটী, তিনিচুকীয়া, লখিমপুৰত গৰমৰ প্ৰকোপ, অকাল মৃত্যু হ'ল স্কুলীয়া ছাত্ৰৰ

ই-সংবাদ, গুৱাহাটী-তিনিচুকীয়া ব্যুৰ', ১৩ জুনঃ গ্ৰীষ্ম প্ৰবাহৰ ফলত একপ্ৰকাৰ বিপৰ্যস্ত হৈ পৰিছে ৰাজ্যৰ জনজীৱন। গুৱাহাটী মহানগৰীত শুকুৰবাৰৰ দিনটোত তাপমাত্ৰাই ৬ পৃষ্ঠাত চাওক

অখিল গগৈৰ সংবাদমেল

## বিদেশী খেদাৰ নামত কেৱল নাটকহে কৰিছে চিএম হিমন্তই

ই-সংবাদ বিশেষ, ১৩ জুনঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীক ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ কৰি '২৬ৰ নিৰ্বাচনৰ পূৰ্বে ৰাজ্যত মেৰুকৰণৰ ২নং পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ওলাব প্ৰকৃত কাৰণ, ব্লেক বক্স কৰিলে

আহমেদাবাদৰ মেঘানীনগৰ। বৃহস্পতিবাৰে যিটো চিকিৎসকৰ হোষ্টেলত আচাৰ খাই পৰিছিল এয়াৰ ইণ্ডিয়াৰ ব'য়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ বিমানখন, সেই স্থানত এতিয়া কেৱল ৰৈ গৈছে ধ্বংসাৱশেষ আৰু হৃদয় বিদাৰি যোৱা এক যন্ত্ৰণা। সেই ধ্বংসাৱশেষৰ মাজৰ পৰাই আজি উদ্ধাৰ কৰা হৈছে বিমানখনৰ এটা ব্লেক বক্স। যাৰ ফলত বিমানখনৰ দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ উন্মোচন হ'ব বুলি আশা কৰা হৈছে। গুজৰাট চৰকাৰৰ ৪০ জন কৰ্মীৰ সহায়ত এয়াৰ এক্সিডেণ্ট ইনভেষ্টিগেচন ব্যুৰোৰ এটা বৃহৎ দলে ডিজিটেল ফ্লাইট ডাটা ৰেকৰ্ডাৰ (ডিএফডিআৰ) বা ব্লেক বক্স এটা বিচাৰি উলিয়াবলৈ সক্ষম হৈছে। ভাৰতৰ অন্যতম ভয়াৱহ বিমান দুৰ্ঘটনাৰ কাৰণ উন্মোচন কৰাত এই ব্লেক বক্সে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। যদিও ইয়াক 'ব্লেক বক্স' বুলি কোৱা হয়, তথাপি ই সাধাৰণতে উজ্জ্বল কমলা ৰঙৰ যন্ত্ৰ। ইয়াৰ গাঢ় ৰঙে ধ্বংসাৱশেষ আৰু পানীৰ তলতো ইয়াক সহজে দেখা পোৱাত সহায় কৰে। উল্লেখ্য যে ব্লেক বক্সটোত পাইলট আৰু বিমান পৰিবহণ নিয়ন্ত্ৰণৰ মাজত হোৱা কথা- বতৰাকে ধৰি বিমানৰ গতি, উচ্চতা, ইঞ্জিনৰ কাৰ্যক্ষমতা আৰু ককপিটৰ অডিঅ'ৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য সন্নিৱিষ্ট কৰা হয়। ইয়াক অতি তাপমাত্ৰা, পানী আৰু গুৰুতৰ প্ৰভাৱ সহ্য কৰিব পৰাকৈ নিৰ্মাণ কৰা হয়, যাতে বিপৰ্যয়জনক পৰিস্থিতিতো মূল তথ্যসমূহ অক্ষত থাকে। ষ্টীল আৰু টাইটানিয়ামৰ দৰে অতি গধুৰ সামগ্ৰীৰে নিৰ্মিত এই ডিভাইচটোৰ দুটা মূল উপাদান আছে--- ডিএফডিআৰ আৰু ককপিট ভইচ ৰেকৰ্ডাৰ (চিভিআৰ)। ডিএফডিআৰে কাৰিকৰী উৰণৰ পৰিমাপ ৰেকৰ্ড কৰে, আনহাতে চিভিআৰে ককপিটৰ পৰা অডিঅ' ৰেকৰ্ড কৰে, য'ত পাইলটৰ আলোচনা আৰু বিমান পৰিবহণ নিয়ন্ত্ৰণৰ সৈতে ৰেডিঅ' বিনিময় আদিও অন্তৰ্ভুক্ত। প্ৰণিধানযোগ্য যে বৃহস্পতিবাৰে দুৰ্ঘটনাগ্ৰস্ত হোৱা টাটাৰ মালিকানাধীন এয়াৰ ইণ্ডিয়াৰ বিমান সংস্থাটোৰ আহমেদাবাদ-লণ্ডন বিমানখনত ২৪২ জন যাত্ৰী আছিল। বিমানখনত থকা কেৱল এজনহে ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিকক জীৱন্তে উদ্ধাৰ কৰা হয়। টাটা ছন্সৰ অধ্যক্ষ এন চন্দ্ৰশেখৰনে কয় যে 'ভাৰত, আমেৰিকা আৰু ব্ৰিটেইনৰ পৰা যোৱা ২৪ ঘণ্টাত দুৰ্ঘটনাস্থলীত তদন্তকাৰী দল উপস্থিত হৈছে। প্ৰশিক্ষিত তদন্তকাৰীয়ে আমাক বুজিবলৈ সহায় কৰিব যে কিয় এখন ৰুটিন বিমান ইমান দুৰ্যোগত পৰিণত হ'ল।' এই বিশেষ ব'য়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ বিমানখন ১২ বছৰ পূৰ্বে নিৰ্মাণ কৰা হৈছিল। আহমেদাবাদ বিমানবন্দৰত চিচিটিভি কেমেৰাত বন্দী হোৱা এটা ভিডিঅ'ত এয়াৰ ইণ্ডিয়াৰ বিমানখনে গতিবেগ বৃদ্ধি কৰি ৰানৱে'ৰ পৰা উৰা মৰা দেখা যায়। খালী চকুৰে সকলো স্বাভাৱিক যেনেই লাগিছিল সেই সময়ত। কিন্তু পিছৰ কেইছেকেণ্ডমানে ইংগিত দিলে যে বিমানখন সম্ভৱতঃ বিপদত পৰিছে কাৰণ ইয়াৰ আকাৰ আৰু ধৰণৰ যাত্ৰীবাহী বিমানৰ বাবে স্বাভাৱিক উচ্চতা লাভ কৰিব পৰা নাছিল। বিমানখনে আৰু কেইছেকেণ্ডমান সমতলভাৱে উৰি থাকে যদিও তাৰ পিছত উচ্চতা হেৰুৱাবলৈ ধৰে। ইয়াৰ পিছতে ৰানৱে'ৰ শেষৰ পৰা কিছু দূৰৈত থকা এখন চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ হোষ্টেলত খুন্দা মাৰে বিমানখনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিমান দুৰ্ঘটনাস্থলীত প্ৰধানমন্ত্ৰী...

স্থলী পৰিদৰ্শন কৰাৰ লগতে হাস্পতালত চিকিৎসাধীন হৈ থকা আহতসকলৰ স্বাস্থ্যৰ বুজ লয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বৃহস্পতিবাৰে লণ্ডন অভিমুখী এয়াৰ ইণ্ডিয়াৰ বিমান এআই-১৭১ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ পিছতে সেইদিনাই বিয়লি আহমেদাবাদত উপস্থিত হৈছিল গৃহমন্ত্ৰী অমিত শ্বাহ। ইয়াৰ পিছতে শুকুৰবাৰে পুৱাই পৰিস্থিতি নিৰীক্ষণ আৰু সাহায্য প্ৰচেষ্টাৰ সমন্বয়ৰ বাবে আহমেদাবাদ ভ্ৰমণ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আজি আহমেদাবাদত উপস্থিত হোৱাৰ পিছতে প্ৰধানমন্ত্ৰীয়ে পোনে পোনে দুৰ্ঘটনাস্থলী মেঘানী নগৰ অঞ্চললৈ ৰাওনা হয়। তাত তেওঁ প্ৰায় ২০ মিনিট ধৰি ধ্বংসাৱশেষৰ অঞ্চলটো পৰিদৰ্শন কৰে। এই অঞ্চলত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱাত চিকিৎসকৰ হোষ্টেল আৰু বিজে মেডিকেল কলেজৰ অন্যান্য অট্টালিকাসমূহৰ ক্ষতি হয়। উদ্ধাৰ আৰু সাহায্য অভিযানৰ লগত জড়িত বিষয়াসকলৰ পৰা তেওঁ পৰিস্থিতিৰ বিশদ তথ্য লয়। ইয়াৰ পিছতে প্ৰধানমন্ত্ৰী চিভিল হাস্পতাললৈ যায়, য'ত বিমান দুৰ্ঘটনাত আহতসকলৰ চিকিৎসা চলি আছে। তাত তেওঁ আহতসকলৰ সৈতে সাক্ষাৎ কৰি তেওঁলোকৰ শাৰীৰিক অৱস্থাৰ বিষয়ে সোধা-পোছা কৰে। দুৰ্ঘটনাটোৰ একমাত্ৰ জীৱিত যাত্ৰী ব্ৰিটিছ নাগৰিক বিশ্বাস কুমাৰ ৰমেশকো সাক্ষাৎ কৰে প্ৰধান মন্ত্ৰীয়ে। প্ৰধানমন্ত্ৰীয়ে চিকিৎসালয়খনত প্ৰায় ১০ মিনিট সময় কটোৱাৰ পিছত আহমেদাবাদ বিমানবন্দৰৰ সমীপৰ গুজচাইল কাৰ্যালয়ত ৰাজ্য তথা অসামৰিক বিমান পৰিবহণ বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ  পেটেল, কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডু আৰু গুজৰাটৰ গৃহমন্ত্ৰী হৰ্ষ শ্বাংভীয়ে প্ৰধানমন্ত্ৰীক পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। প্ৰধানমন্ত্ৰীয়ে এক্সত দিয়া বাৰ্তাত এই ঘটনাক লৈ শোক প্ৰকাশ কৰে। তেওঁ লিখিছে,"আহমেদাবাদৰ বিমান দুৰ্ঘটনাই আমাক সকলোকে স্তম্ভিত কৰি তুলিছে। ইমান প্ৰাণৰ হঠাৎ আৰু হৃদয় বিদাৰক ক্ষতিৰ কথা শব্দৰে প্ৰকাশ কৰিব নোৱাৰি। শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছো।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিদেশী খেদাৰ নামত নাটক কৰিছে...

ষড়যন্ত্ৰ ৰচিছে ভাৰতীয় জনতা পাৰ্টিয়ে। কাজিৰঙাত আজি এখন সংবাদমেল সম্বোধন কৰি এনেকৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি চৰকাৰৰ বিৰুদ্ধে আক্ৰমণাত্মক ৰূপ ল'লে বিধায়ক অখিল গগৈয়ে। ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে অভিযোগ কৰে যে মুখ্যমন্ত্ৰীয়ে "বিদেশী বহিষ্কাৰ"ৰ নামত সম্পূৰ্ণ মিছা প্ৰচাৰ কৰি সংখ্যালঘু মুছলমানক লক্ষ্য কৰি লৈছে। অখিল গগৈয়ে কয় যে বিগত তিনি বছৰত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত মাত্ৰ ১২১ জন বিদেশীক বিতাড়িত কৰা হৈছে। কিন্তু ২০০১ চনৰ পৰা ২০২৩ চনলৈ ১.৩১ লাখ বিদেশী চিনাক্ত হৈছিল যদিও মাত্ৰ ৩১০০ বিদেশীকহে বিতাড়িত কৰা হৈছিল। এন আৰ চিত নাম থকা লোককো আটক কৰাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ মন্তব্যক গগৈয়ে অসাংবিধানিক আৰু অত্যন্ত বিপজ্জনক বুলি অভিহিত কৰে। অখিল গগৈয়ে আৰু অভিযোগ কৰে যে বিজেপিৰ কৰ্মীসকলে ঈদৰ সময়ত হিন্দু অধ্যুষিত অঞ্চললৈ গো-মাংস আনি ইচ্ছাকৃতভাৱে সাম্প্ৰদায়িক উত্তেজনা বিয়পাবলৈ চেষ্টা কৰিছে, যিটো হিন্দু-মুছলমান বিভাজনৰ উচটনি দি ৰাজনৈতিক সুবিধা লাভৰ এক স্পষ্ট নাটক। এনে কাৰ্যই ৰাজ্যখনত গভীৰ অস্থিৰতাৰ সৃষ্টি কৰিব পাৰে বুলি তেওঁ সকীয়াই দিয়ে। ইফালে, জল জীৱন মিছন প্ৰকল্পত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰি গগৈয়ে কয় যে বৃহৎ কেন্দ্ৰীয় পুঁজি থকাৰ পিছতো প্ৰকল্পটোৰ স্থলভাগত দুৰ্ভাগ্যজনকভাৱে বিফল হৈছে, বহু অঞ্চলত পানীৰ গুণাগুণ পুখুৰীৰ পানীতকৈও বেয়া। তেওঁ দাবী কৰে যে মন্ত্ৰী আৰু বিধায়কসকলে ঠিকাদাৰৰ পৰা ৫-১০% কমিছন লৈছে, যাৰ বাবে চৰকাৰে ঠিকাদাৰৰ ওচৰত ১২ হাজাৰ কোটিতকৈ অধিক টকা ঋণী আৰু এনেকৈ থাকিলে ঠিকাদাৰসকলে আত্মহত্যা কৰিবলৈ বাধ্য হ'ব পাৰে। গগৈয়ে সকীয়াই দিয়ে, "মই নথি-পত্ৰকে ধৰি প্ৰতিটো প্ৰকল্প ফাদিল কৰিম। চৰকাৰে মোৰ মুখ বন্ধ কৰিবলৈ চেষ্টা কৰিলেও মই পিছুৱাই নাযাওঁ।" আনহাতে, ২০২৬ ৰ নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক মিত্ৰতাৰ বিষয়ত কংগ্ৰেছে আগভাগ লোৱা উচিত বুলি মন্তব্য কৰি অখিল গগৈয়ে কয় যে নিৰ্বাচনত কংগ্ৰেছে অকলে প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰিলে সেয়া এক "ঐতিহাসিক ভুল" হ'ব। ইয়াৰ উপৰি কেন্দ্ৰৰ মোদী চৰকাৰে অসমৰ জনগোষ্ঠীয় লোকক অনুসূচিত জনজাতি (এছটি)ৰ মৰ্যাদা প্ৰদানৰ প্ৰতিশ্ৰুতি ভংগ কৰাৰ অভিযোগ উত্থাপন কৰে গগৈয়ে। সংবাদমেলত গুজৰাটৰ বিমান দুৰ্ঘটনাক লৈ শোক প্ৰকাশ কৰি মৃতকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে বিধায়ক অখিল গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰেফিকৰ বাবেই ৰক্ষা পৰিল...

তেতিয়া হয়তো কোনো বাধাই তাত হেঙাৰ দিব নোৱাৰে। অসমীয়াত এযাৰি আপ্তবাক্য আছে- ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে? গুজৰাটৰ ভাৰুচৰ ভূমি চৌহানকো যেন সেই নেদেখাজনেই ঘূৰাই লৈ আহিল মৃত্যুৰ দুৱাৰমুখত ভৰি দিয়াৰ পৰা। যাৰ বাবে বৃহস্পতিবাৰৰ দিনটো দ্বিতীয় জন্মতকৈ কোনো গুণেই কম নাছিল ভূমিৰ বাবে। মাত্ৰ দহ মিনিটৰ পলমে তেওঁক আহমেদাবাদত সংঘটিত হোৱা ভয়ানক বিমান দুৰ্ঘটনাৰ পৰা অলৌকিকভাৱে ৰক্ষা কৰিলে। এয়াৰ ইণ্ডিয়াৰ এআই-১৭১ বিমানেৰে লণ্ডনলৈ যোৱাৰ কথা আছিল ভূমি চৌহানৰ। কিন্তু ৰাজপথৰ তীব্ৰ যান-জঁটৰ বাবে বিমানবন্দৰত তেওঁৰ উপস্থিত হোৱাত দহ মিনিট পলম হয়। বিমানখন ১.১০ বজাত যাত্ৰা কৰাৰ কথা আছিল আৰু তেওঁলোকে দুপৰীয়া ১২ বজাৰ আগতে বিমানবন্দৰত উপস্থিত হ'বলগীয়া হৈছিল। তীব্ৰ যান-জঁটৰ বাবে ভূমিয়ে দহ মিনিট পলমকৈ অৰ্থাৎ ১২.১০ বজাত বিমানবন্দৰত উপস্থিত হয়, যাৰ বাবে চেক-ইন কৰিব নোৱাৰিলে ভূমি চৌহানে। প্ৰথম অৱস্থাত তেওঁ ইয়াক নিজৰ দুৰ্ভাগ্য বুলি ভাবিছিল যদিও কিছু সময়ৰ পিছত যেতিয়া বিমান দুৰ্ঘটনাৰ খবৰ আহিল, তেতিয়া তেওঁ উপলব্ধি কৰিলে যে এই বিলম্ব তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ আশীৰ্বাদ বুলি প্ৰমাণিত হ'ল। ভূমি চৌহানে মিডিয়াৰ সন্মুখত কয় যে বিমান দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে তেওঁ বিমানবন্দৰৰ পৰা প্ৰায় ঘৰলৈ যাবলৈ ওলাইছিল। গাড়ীত খবৰটো দেখি তেওঁ স্তম্ভিত হৈ পৰে। লণ্ডনমুখী এই ব'য়িং ৭৮৭-১০৭ ড্ৰিমলাইনাৰ বিমানখন আহমেদাবাদৰ পৰা উৰণৰ কিছু সময়ৰ পিছতে দুৰ্ঘটনাগ্ৰস্ত হয়। উল্লেখ্য যে বিগত দুবছৰ ধৰি লণ্ডনত স্বামীৰ সৈতে বাস কৰি অহা ভূমি চৌহানে কিছুদিন আগতে স্বগৃহলৈ আহিছিল। তেওঁ বৃহস্পতিবাৰে পুনৰ উভতি যোৱাৰ কথা আছিল যদিও সৌভাগ্যই যেন তেওঁৰ জীৱন ৰক্ষা কৰে। এই দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰাৰ পিছত ভূমি আৰু তেওঁৰ পৰিয়ালে ভগৱানৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰে আৰু ইয়াক তেওঁলোকৰ বাবে এক নতুন জীৱন বুলি অভিহিত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেখিলেই গুলী! ধুবুৰীত আৰক্ষীয়ে ৰুধিব

অৱস্থাত গো-মাংসসদৃশ সামগ্ৰী উদ্ধাৰ হৈছিল। তাৰ পিছতে দুয়োপক্ষ সংঘাতত লিপ্ত হৈছিল। ইতিমধ্যে আৰক্ষীয়ে ২২ জনক লোকক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাক লৈ ধুবুৰীত তীব্ৰ উত্তেজনা অব্যাহত থকাৰ সময়তে আজি ধুবুৰী ভ্ৰমণ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। উক্ত এলেকা ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ধুবুৰী জিলা প্ৰশাসনৰ সৈতে বৈঠকত মিলিত হৈ কেইবাটাও কঠোৰ নিৰ্দেশ দিয়ে। দুষ্কৃতিকাৰীক দেখা মাত্ৰকে গুলীওৱাৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে মুখামুখি হৈ কয় যে মই শ্বুট এণ্ড ছাইটৰ অৰ্ডাৰ ইছ্যু কৰিছোঁ। ৰেপিড এক্সন ফোৰ্চ, চিআৰপিএফ মোতায়েন কৰা হৈছে। যিমান অপৰাধী আছে সকলোকে গ্ৰেপ্তাৰ কৰিবলৈ এছপিক কৈছোঁ। আজি সন্ধিয়াৰ পৰাই ধুবুৰী চহৰত প্ৰযোজ্য হ'ব এই নিৰ্দেশনা। আইন প্ৰয়োগকাৰী বিষয়াসকলক আমাৰ মন্দিৰ, নামঘৰ আৰু পবিত্ৰ স্থানক অপবিত্ৰ কৰা উপাদানৰ বিৰুদ্ধে জি'ৰ টলাৰেন্স অনুসৰণ কৰিবলৈ নিৰ্দেশ দিছোঁ। চহৰখনৰ হনুমান মন্দিৰত গো-মাংস পেলোৱাৰ কাণ্ডটো কেতিয়াও হ'ব নালাগিছিল। এই কাণ্ডত জড়িতসকলক ৰক্ষা কৰা নহ'ব। লগতে মুখ্যমন্ত্ৰীয়ে অহাবাৰ বকৰী ঈদত নিজে ধুবুৰীত থাকি পহৰা দিয়াৰ কথা উল্লেখ কৰি কয় যে এইবাৰ ঈদৰ দিনা একাংশ অসামাজিক উপাদানে ধুবুৰীৰ হনুমান মন্দিৰত গো-মাংস পেলাই এক জঘন্য আৰু নিন্দনীয় অপৰাধ সংঘটিত কৰিলে। আগন্তুক ঈদত প্ৰয়োজন হ'লে মই নিজেই হনুমান বাবাৰ মন্দিৰত গোটেই ৰাতি পহৰা দিম। আজি মুখ্যমন্ত্ৰীয়ে পুৱা ১১ বজাত ধুবুৰীত উপস্থিত হয় আৰু ততালিকে চাৰ্কিট হাউছত আৰক্ষী আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক জৰুৰী বৈঠকত মিলিত হয়। পৰিস্থিতি পৰ্যালোচনাৰ পিছতে শৰ্মাই ধুবুৰী চহৰত আনুষ্ঠানিকভাৱে 'শ্বুট-এণ্ড-ছাইট' আদেশ প্ৰযোজ্য কৰা হৈছে বুলি ঘোষণা কৰে। এই আদেশ ৰাতিপুৱাৰ আগতেই কাৰ্যকৰী হ'ব। তেওঁ সকীয়াই দিয়ে যে যিকোনো ধৰণৰ হিংসাত্মক কাৰ্য, ধ্বংসাত্মক তৎপৰতাৰ পৰা আৰম্ভ কৰি শিল নিক্ষেপ বা ৰাজহুৱা সম্পত্তিৰ ওপৰত আক্ৰমণ এইবোৰক দমন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে মই আৰক্ষীক সকলো দুষ্কৃতিকাৰীক বিলম্ব নকৰাকৈ গ্ৰেপ্তাৰৰ নিৰ্দেশ দিছোঁ। ধুবুৰীক আমি সাম্প্ৰদায়িক হিংসা বা সীমান্ত পাৰ হৈ অহা ষড়যন্ত্ৰৰ বলি হ'বলৈ দিব নোৱাৰোঁ। সীমান্তৰ সীপাৰৰ বাংলাদেশী মৌলবাদী শক্তিসমূহে অসমত অশান্তিৰ সৃষ্টি কৰিবলৈ উচটনি দিয়াৰ চেষ্টা কৰি আছে। এনে ষড়যন্ত্ৰক কঠোৰ হাতেৰে দমন কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নাই প্ৰতিদ্বন্দ্বী! ৰাজ্যসভালৈ নিৰ্বাচিত...

পুৰকায়স্থ আৰু বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ১৯ জুনত ভোটিং কৰাৰ কথা আছিল যদিও প্ৰতিদ্বন্দ্বী নথকাৰ বাবে দুয়োগৰাকী প্ৰাৰ্থীকে জয়ী ঘোষণা কৰে। দুয়োগৰাকীয়ে ৯ জুনত মনোনয়ন দাখিল কৰিছিল। কনাড পুৰকায়স্থ আৰু বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই জয়ী হোৱাৰ প্ৰমাণ-পত্ৰ গ্ৰহণ কৰে। জয়ী ঘোষণাৰ পিছতে আজি দিছপুৰত অসম গণ পৰিষদৰ নেতা তথা পুনৰ ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ ফণীভূষণ চৌধুৰীৰ সৈতে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। আলোচনা কালত মুখ্যমন্ত্ৰীয়ে বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক অভিনন্দন জনাই ৰাজ্যখনৰ উন্নয়ন আৰু বিকাশৰ স্বাৰ্থত সংসদত ইতিবাচক আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জে'লতে পুনৰ গ্ৰেপ্তাৰ অভিযুক্ত চিন্ময়...

কিন্তু মুকলি আকাশৰ তললৈ ওলাই অহাৰ পূৰ্বেই পুনৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে চিন্ময় লহকৰক। মুকলি আকাশৰ তললৈ আহি মুক্ত মনে উশাহ লোৱাৰ পূৰ্বেই ওদালগুৰি আৰক্ষীয়ে জে'লৰ গেটতে পুনৰ গ্ৰেপ্তাৰ কৰে। চিন্ময় লহকৰ হৈছে অসম কঁপোৱা জু-ৰোড গ্ৰেনেড বিস্ফোৰণ কাণ্ডৰ অন্যতম মুখ্য অভিযুক্ত। ২০১৯ চনৰ ১ জুনত বিস্ফোৰণ সন্দৰ্ভত গ্ৰেপ্তাৰ হোৱাৰ পিছৰ পৰাই তেওঁ জে'লত আছিল। কিন্তু মুকলি আকাশৰ তললৈ অহাৰ পূৰ্বেই পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে। জু-ৰোড গ্ৰেনেড বিস্ফোৰণৰ তদন্ত কৰি আছে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা চমুকৈ এনআয়ে। এনআয়ে গ্ৰেপ্তাৰ কৰা বহু অভিযুক্ত এতিয়াও কাৰাগাৰত আছে। জাহ্নবী শইকীয়া, প্ৰাণময় ৰাজগুৰু আৰু বিজয় অসম আজিও জে'লতে আছে। জামিন লাভ কৰিবলৈ সক্ষম হোৱা নাই। ২০২৪ চনৰ ১০ এপ্ৰিলত গুৱাহাটী উচ্চ ন্যায়ালয়ে এই কাণ্ডৰ আন এজন অভিযুক্ত সঞ্জীৱ তালুকদাৰৰ জামিন মঞ্জুৰ কৰিছিল। তালুকদাৰ ২০১৯ চনৰ ২৭ মে'ত গ্ৰেপ্তাৰ হোৱাৰ পৰা প্ৰায় ৬ বছৰ ধৰি জে'লত আছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গোপনে অজানা দেশলৈ গ'লগৈ খেয়ালি...

কিতাপৰ দোকানত আড্ডা পিটি কবিতাক নতুন গতি দিয়া খেয়ালি মনৰ কবিজন আৰু কেতিয়াও উভতি নাহে। গাঁৱৰ হোজা মানুহৰ বাবে যুগজয়ী কবিতা সৃষ্টিৰে অসমৰ সাহিত্য জগত সমৃদ্ধ কৰা নলবেৰীয়া কবি বিপুল কুমাৰ দত্ত আৰু নাই। মানুহ মাটি আৰু দ্বিতীয় বিশ্ব, বৰষুণৰ গান আদি কাব্যৰ স্ৰষ্টা তথা নলবাৰী জিলাৰ নিজ পকোৰা গাঁৱৰ বাসিন্দা বিপুল কুমাৰ দত্তই কালি নিশা চিকিৎসাধীন অৱস্থাত মৃত্যুক আঁকোৱালি লয়। নলবাৰীৰ সু-সন্তান কবি বিপুল কুমাৰ দত্ত বৃহস্পতিবাৰে হঠাতে অসুস্থ হৈ পৰিছিল। হঠাত অসুস্থ হৈ পৰা কবিগৰাকীক পৰিয়ালে প্ৰথমে নলবাৰীৰ এখন হাস্পতালত ভৰ্তি কৰিছিল যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে উত্তৰ গুৱাহাটীস্থিত জিএনআৰচি হাস্পতালত ভৰ্তি কৰিছিল। চিকিৎসাধীন অৱস্থাত স্বাস্থ্যৰ অত্যধিক অৱনতি ঘটে। নিশা প্ৰায় ৩ বজাত হৃদৰোগত আক্ৰান্ত হৈ বিশিষ্ট কবিগৰাকীয়ে মৃত্যুৰ শীতল কোলাত শুই পৰে। ছাত্ৰ অৱস্থাৰ পৰাই সাহিত্যপ্ৰেমী হোৱাৰ লগতে কবিতা, নাটক, অনুবাদ আদিৰে জনপ্ৰিয়তা অৰ্জন কৰিছিল। কলেজীয়া কালতে তেওঁৰ বহু কবিতা প্ৰকাশ পাইছিল। কাকতে-পত্ৰই প্ৰকাশ পোৱা কবিতাসমূহে ব্যাপক জনপ্ৰিয়তা লাভ কৰিছিল। হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ চাকৰি কৰিও কবিতাৰ চৰ্চা অব্যাহত ৰাখিছিল। চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি কবিতা লিখি-গাই সময় অতিবাহিত কৰিছিল। প্ৰগতিশীল চিন্তা আৰু চেতনাৰে কাব্য সাহিত্যক সমৃদ্ধ কৰা বিশিষ্ট কবিগৰাকীয়ে বাঁওফালৰ ফুটপাথ, বনকৰা ছোৱালী, আহত সময়ৰ গান আদি কবিতাৰে অসমীয়া কাব্য সাহিত্যক সমৃদ্ধ কৰিছিল। ৰ'দ দি দি বৰষুণ, বিষাদৰ বেহেলা, কুৰিখন গদ্য আৰু অনুবাদৰ গ্ৰন্থলৈকে দেশ আৰু জাতিৰ পৰিবৰ্তন বিচাৰি বহু কাব্য আৰু গদ্য সংকলন লিখিছিল। আল্লা মেঘ দে, আল্লা পানী দে আদি ব্যতিক্ৰমী কাব্য সংকলনে নিজকে কবিতাৰ জগতত ব্যতিক্ৰমী ৰূপত প্ৰকাশ কৰিছিল। সমানে বাংলা ভাষাতো কাব্য চৰ্চা কৰিছিল। আজি উত্তৰ গুৱাহাটীৰ পৰা কবিগৰাকীৰ নশ্বৰদেহ নলবাৰীৰ পকোৰা গাঁৱৰ ঘৰলৈ নিয়া হয়। নশ্বৰদেহ আহি পোৱাৰ পিছতে গুণমুগ্ধৰে ঘৰ ভৰি পৰে। আবেলি দত্তৰ শেষকৃত্য সম্পন্ন কৰা হয়। দত্তৰ মৃত্যুত অসমীয়া সাহিত্য জগতত গভীৰ শোকৰ ছাঁ পৰিছে। নলবাৰীৰ বিভিন্ন দল-সংগঠনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এই মৃত্যু অপূৰণীয় ক্ষতি বুলি কয়। আন এজন নলবেৰীয়া কবি প্ৰণৱ কুমাৰ বৰ্মনে বিপুল কুমাৰ দত্তৰ মৃত্যুক গভীৰ শোক প্ৰকাশ কৰিছে। কবি প্ৰণৱ কুমাৰ বৰ্মনে কয় যে যাক লগ পালেই পৃথিৱীখন পোহৰময় হৈ উঠিছিল! হাজাৰ দুখতো ওঁঠত হাঁহি বিৰিঙিছিল!
যাক লগ পালে এজন প্ৰকৃত কবিক লগ পোৱা যেন লাগিছিল! যাৰ হৃদয়ত নাছিল কোনো কুটিলতা-জটিলতা। সৰল হাঁহি, জীৱনক উদযাপন কৰাৰ তীব্ৰ বাসনা। কোৱা হৈছিল এনে ব্ৰিলিয়েণ্ট কবিৰ সংখ্যা অসমত তাকৰ। অসমীয়া-বঙালী দুয়োটা ভাষাতে যাৰ সমান দখল। ১৯৯৫ চনৰ পৰা সুহৃদ সম্পৰ্ক। অনামিকাৰ পৰা ধনটিদাৰ হোটেল, লুইতত স্মৃতিময় অলেখ সন্ধিয়া! অৰ্থনীতিৰ গভীৰ বিষয়ৰ গ্ৰন্থবোৰ। অসমীয়া প্ৰগতিশীল কবিতাৰ যেন শেষজন সাৰ্থক কবি! আদৰ্শৰ পৰা বিচ্যুত নোহোৱা কবি! অনেক সপোন অনেক পৰিকল্পনা। তেওঁৰ স্কুটাৰত বহি প্ৰথম যৌৱনৰ দিনবোৰত কটোৱা যাযাবৰী দিনবোৰৰ কথা মনত ভাহি উঠিছে। মনত ভাহি উঠিছে কৰুণা ডেকা পৰিচালিত 'খনিকৰ' নাটকৰ দুৰ্দান্ত অভিনয়। পয়লাত লিহিৰি আঙুলিৰ তবলাৰ বোলবোৰ। বিপুলদা, যাওঁ বুলিয়েই গ'লগৈ শূন্য কৰি সময়, শূন্য কৰি সমাজ। বিদায় কমৰেড। বিদায় বিপুলদা। বিপুল কুমাৰ দত্ত। বাংলাদেশৰ ঐতিহ্যমণ্ডিত পাবনাত বাংলাদেশ কবিতা সংসদৰ তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা আন্তৰ্জাতিক সাহিত্য সন্মিলনত কবি বিপুল কুমাৰ দত্তই অংশ লৈছিল। বাংলাদেশ কবিতা সংসদত অসমৰ পৰা আমন্ত্ৰিত একমাত্ৰ কবি বিপুল কুমাৰ দত্তক বাংলা কাব্য সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০১৭ বৰ্ষৰ 'কবিতা সংসদ সাহিত্য পদক' প্ৰদান কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অঘটনৰ পিছতে সচেতন! বিমানৰ সুৰক্ষা...

সুৰক্ষাৰ ক্ষেত্ৰত ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিছে অসামৰিক বিমান পৰিবহণ সঞ্চালকালয় চমুকৈ ডিজিচিএয়ে। শুকুৰবাৰে বিমান নিয়ন্ত্ৰক সংস্থাটোৱে এয়াৰ ইণ্ডিয়াৰ ব'য়িং ৭৮৭-৮/৯ বহৰৰ সুৰক্ষা পৰিদৰ্শন কৰি বৃদ্ধিৰ নিৰ্দেশ প্ৰদান কৰে। ডিজিচিএৰ আনুষ্ঠানিক বিবৃতিত কোৱা হৈছে, "প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে ডিজিচিএই মেছাৰ্ছ এয়াৰ ইণ্ডিয়াক চলিত বৰ্ষৰ ১৫ জুনৰ পৰা তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ জেনক্স ইঞ্জিনযুক্ত বি৭৮৭-৮/৯ বিমানত অতিৰিক্ত ৰক্ষণাবেক্ষণ কাৰ্যকলাপ চলাবলৈ নিৰ্দেশ দিছে।" এই আদেশৰ ফলত ভাৰতৰ পৰা উৰণৰ পূৰ্বে প্ৰতিখন বিমানতে এবাৰ বিশদ পৰীক্ষা বাধ্যতামূলক কৰা হৈছে। বিমান নিয়ন্ত্ৰক সংস্থাটোৰ নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ কৰিবলগীয়া মূল পৰীক্ষাসমূহৰ ভিতৰত আছে-- ইন্ধনৰ প্ৰাচল নিৰীক্ষণ আৰু আনুষংগিক ব্যৱস্থাসমূহৰ সম্পূৰ্ণ পৰিদৰ্শন; কেবিন এয়াৰ কম্প্ৰেছাৰ আৰু ইয়াৰ সংশ্লিষ্ট ব্যৱস্থাসমূহ পৰীক্ষা কৰা; ইলেক্ট্ৰনিক ইঞ্জিন নিয়ন্ত্ৰণ ব্যৱস্থাৰ সম্পূৰ্ণ পৰীক্ষা; ইঞ্জিনৰ ইন্ধন চালিত এক্টিভেটৰ আৰু তেল ব্যৱস্থা পৰীক্ষাৰ কাৰ্যকৰী পৰীক্ষা; হাইড্ৰ'লিক ব্যৱস্থাৰ কাৰ্যক্ষমতা পৰীক্ষা কৰা আৰু সৰ্বোপৰি টেক অফৰ পৰিমাপসমূহ ভালদৰে পৰ্যালোচনা কৰা। ইয়াৰ উপৰি ডিজিচিএই ট্ৰেনজিট পৰিদৰ্শনৰ অংশ হিচাপে 'ফ্লাইট কণ্ট্ৰ'ল ইনছপেকচন' অন্তৰ্ভুক্ত কৰাৰ নিৰ্দেশ দিছে, যিটো পৰৱৰ্তী নিৰ্দেশ নোহোৱালৈকে কাৰ্যকৰী হৈ থাকিব। অহা দুসপ্তাহৰ ভিতৰত শক্তি নিশ্চিতকৰণ পৰীক্ষা সম্পূৰ্ণ কৰিব লাগিব আৰু বিগত ১৫ দিনত বি৭৮৭-৮/৯ বিমানত পুনৰাবৃত্তিমূলক ত্ৰুটিসমূহ পৰ্যালোচনা কৰাৰ লগে লগে ৰক্ষণাবেক্ষণৰ কাম বন্ধ কৰিব লাগিব। এই পৰীক্ষাসমূহৰ বিশদ প্ৰতিবেদন ডিজিচিএত দাখিল কৰিব লাগিব। উল্লেখ্য যে লণ্ডন অভিমুখী এয়াৰ ইণ্ডিয়াৰ বিমান এআই ১৭১ বৃহস্পতিবাৰে আহমেদাবাদৰ পৰা উৰা মৰাৰ কিছু সময়ৰ পিছতে মেডিকেল কলেজ কমপ্লেক্সত খুন্দা মাৰি ভস্মীভূত হৈ পৰে। এই দুৰ্ঘটনাত প্ৰায় ২৬৫ জন লোকৰ মৃত্যু নিশ্চিত কৰা হৈছে। লক্ষণীয়ভাৱে ভাৰতত সংঘটিত বিমান দুৰ্ঘটনাৰ ভিতৰত অন্যতম ভয়াৱহ হিচাপে পৰিগণিত হৈছে এই দুৰ্ঘটনা। বিমানখনে বিজে মেডিকেল কলেজ আৰু অসামৰিক চিকিৎসালয় চৌহদৰ অট্টালিকাত খুন্দা মৰাৰ ফলত কেইবাজনো লোকৰ মৃত্যু হোৱাৰ লগতে বহু মৃতদেহ ইমানেই জ্বলি যায় যে চিনি পোৱাটোও কঠিন হৈ পৰে। ব'য়িং ৭৮৭ ড্ৰিমলাইনাৰ বিমানখনত সেই সময়ত ২৩০ জন যাত্ৰী আৰু ১২ জন ক্ৰু সদস্যকে ধৰি মুঠ ২৪২ জন লোক আছিল। আনহাতে, বিগত বছৰবোৰত একাধিক বিতৰ্কৰ মাজত সোমাই পৰিছে ব'য়িং কোম্পানীটো। সুৰক্ষাৰ চিন্তা, কৰ্প'ৰেট শাসন, নিয়ন্ত্ৰণমূলক অডিট আৰু উৎপাদনৰ মানদণ্ডৰ ওপৰত বাৰে বাৰে প্ৰশ্ন উত্থাপন হৈছে। ইয়াৰ আটাইতকৈ ডাঙৰ কাৰণ আছিল ৭৩৭ মেক্স বিমানৰ দুটা ভয়াৱহ দুৰ্ঘটনা। ২০১৮ চনত লায়ন এয়াৰ ফ্লাইট ৬১০ আৰু ২০১৯ চনত ইথিওপিয়ান এয়াৰলাইন্সৰ বিমান ৩০২ দুৰ্ঘটনাগ্ৰস্ত হৈ মুঠ ৩৪৬ জন লোকৰ মৃত্যু হয়। এই দুয়োটা দুৰ্ঘটনা এমচিএএছৰ ভুল ছফটৱেৰৰ সৈতে জড়িত আছিল। যোৱা বছৰৰ জানুৱাৰীত আলাস্কা এয়াৰলাইন্সৰ ৭৩৭ মেক্স ৯ বিমানৰ দুৱাৰৰ প্লাগ পেনেল এটা আকাশৰ মাজত উৰি গৈছিল, ফলত বিপৰ্যয়ৰ পৰা কোনোমতে ৰক্ষা পৰিছিল বিমান যাত্ৰীসকল। এই ঘটনাই ব'য়িঙৰ ওপৰত চাপ বৃদ্ধি কৰাৰ লগতে ব'য়িং ৭৮৭ ড্ৰিমলা-ইনাৰৰ সুৰক্ষা সম্পৰ্কে প্ৰশ্নৰ উত্থাপন কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হায়ৰে গৰম! অসমত কাঢ়িলে...

শুকুৰবাৰৰ দিনটোত তাপমাত্ৰাই ৩৭ ডিগ্ৰী ছেলছিয়াছ স্পৰ্শ কৰে। পাৰাস্তম্ভ এনেদৰে উৰ্ধগামী হোৱাৰ লগে লগে ৰাজ্যৰ ভিন্ন প্ৰান্তত কেইবাজনো লোক মৃত্যুমুখত পৰাৰ খবৰ পোৱা গৈছে। প্ৰাপ্ত খবৰ অনুযায়ী লখিমপুৰৰ নাৰায়ণপুৰত গৰমৰ বাবে এজন লোকৰ মৃত্যু হয়। অসম-অৰুণাচল সীমান্তৰ নাৰায়ণপুৰৰ কাইলাসপুৰ গাঁৱৰ বাসিন্দা ৰাম দত্ত নামৰ এজন লোক হঠাতে মৃত্যুমুখত পৰে। লোকজন অত্যাধিক গৰমৰ ফলত মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। আনহাতে, বঙাইগাঁৱৰ বৰপাৰা অঞ্চলত কৃষি বিভাগৰ কাৰ্যালয়ৰ ওচৰত এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। প্ৰাথমিক সন্দেহত মৃত্যুৰ কাৰণ গৰমেই বুলি অনুমান কৰা হৈছে। গুৱাহাটীৰ গণেশগুৰিতো চিটি চেণ্টাৰৰ সমীপত আন এজন লোকৰ গৰমৰ বাবে মৃত্যু হয়। মৃত ব্যক্তিজন দিছপুৰ থানাৰ সৈতে জড়িত চালক গুল মোহাম্মদ আলী বুলি চিনাক্ত কৰা হৈছে। তেওঁৰ মৃতদেহ ফুটপাথত পৰি থকা অৱস্থাত উদ্ধাৰ হয়। একেই ঘটনা গুৱাহাটী মহানগৰীৰ নাৰেংগী অঞ্চলতো ঘটিছে। ফৰেষ্ট গেটৰ ওচৰৰ কৈলাশ নগৰত ৫০ বছৰীয়া শোভন বড়ো নামৰ এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। তেওঁৰ ঘৰৰ পৰা দুৰ্গন্ধি ওলোৱাত স্থানীয় লোকে নুনমাটি থানাত খবৰ দিয়ে। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। ৰাইজে গৰমৰ ফলতেই তেওঁৰ অকাল মৃত্যু ঘটিছে বুলি কয়। আনহাতে, উজনি অসমৰ তিনিচুকীয়া জিলাতো ক্ৰমান্বয়ে বৃদ্ধি পাইছে গৰমৰ প্ৰকোপ। জিলাখনত আজিৰ দিনটোৰ সৰ্বোচ্চ তাপমাত্ৰা হৈছে প্ৰায় ৪০ ডিগ্ৰী চেলছিয়াছৰো অধিক। গৰমৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনে জিলাখনৰ শিক্ষানুষ্ঠানসমূহৰ সময়সূচীৰ সালসলনি কৰি পাঠদানৰ সময় পুৱা ৭.৩০ বজাৰ পৰা দুপৰীয়া ১.৩০ বজালৈ নিৰ্ধাৰণ কৰিছে যদিওঁ বৰ্ধিত উষ্ণতাই শিক্ষাৰ্থীসকলক অকণো সকাহ দিব পৰা নাই। এনে উৎকট গৰমৰ মাজতো জিলাখনৰ চাহ বাগিচাসমূহত শ্ৰমিকসকলে নিজৰ কাম কৰি থাকিবলগীয়া হৈছে যদিও বাগিচা কৰ্তৃপক্ষসমূহে তেওঁলোকৰ বাবে ন্যূনতম সা-সুবিধাসমূহো প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ মাজতে আজি চাহনগৰী ডুমডুমাৰ দাঁতিকাষৰীয়া তাৰা চাহ বাগিচাত কৰ্মৰত এজন শ্ৰমিকে গৰমৰ প্ৰকোপৰ বাবে মৃত্যুক সাবটি ল'বলগীয়া হয়। জানিব পৰা মতে, আজি দিনৰ প্ৰায় ১১ বজাত ধনশিৰি কোম্পানীৰ অধীনস্থ তাৰা চাহ বাগিচাত কৰ্মৰত তথা বাগিচাখনৰ ১২ নং লাইনৰ নিৱাসী সুৰেন তাঁতী (৫৮) য়ে উৎকট গৰমৰ বাবে বাগিচাত কৰ্মৰত অৱস্থাতে ঢলি পৰে। সেই সময়ত আন দুজন শ্ৰমিকৰ সৈতে বাগিচাখনত কাম কৰি থকা সুৰেন তাঁতীক বাগিচাৰ চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসালয় পোৱাৰ আগতেই শ্ৰমিকজনৰ মৃত্যু হয়। বাগিচাখনত এম্বুলেন্সৰ অভাৱত সুৰেন তাঁতীক এখন বেটাৰী ৰিক্সাৰে চিকিৎসালয়লৈ নিয়া হয় বুলি পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰিছে। লগতে বাগিচাৰ চিকিৎসালয়ত পৰ্যাপ্ত সা-সুবিধাৰ অভাৱ বুলিও অভিযোগ কৰিছে। তিনিচুকীয়া জিলাৰ বিভিন্ন বাগিচাত চলোৱা এক অনুসন্ধানত আৰু চিকিৎসা কৰ্মী সকলৰ পৰা জানিব পৰা মতে, আজি কিছুদিনৰ পৰা হৈ থকা উৎকট গৰমত চাহ বাগিচাত কাম কৰা শ্ৰমিকসকল নিতৌ অসুস্থ হৈ পৰিছে। ফলত বাগিচাৰ কৰ্মস্থলীৰ পৰাই প্ৰতিদিনে বাগিচা চিকিৎসালয়লৈ এনে বহু অসুস্থ শ্ৰমিকক লৈ যোৱা হৈছে। আজি ডুমডুমাৰ সমীপৱৰ্তী তালাপ চাহ বাগিচাৰ ডাঙৰী ডিভিজনত ৪ জন শ্ৰমিক বাগিচাৰ কামৰ মাজতে ঢলি পৰা বুলিও জানিব পৰা গৈছে। এওঁলোকক ততালিকে বাগিচাৰ চিকিৎসালয়লৈ নিয়া হয় আৰু ইয়াৰে এজন শ্ৰমিকৰ অৱস্থা সংকটজনক হোৱাত তিনিচুকীয়ালৈ প্ৰেৰণ কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লী অভিমুখী বিমানৰ ফুকেটত

ভয়াৱহ বিমান দুৰ্ঘটনা। ২৪১ জন যাত্ৰীৰ মৃত্যুৰ কাৰণ হোৱা এয়াৰ ইণ্ডিয়াৰ ব'য়িং ৭৮৭ ড্ৰীমলাইনাৰ বিমান দুৰ্ঘটনাই সমগ্ৰ বিশ্বক শোকস্তব্ধ কৰি ৰখাৰ সময়তে শুকুৰবাৰে থাইলেণ্ডৰ ফুকেট বিমানবন্দৰত জৰুৰী অৱতৰণ কৰিবলগীয়া হয় এয়াৰ ইণ্ডিয়াৰ এখন বিমানে। বিমানখনত সৃষ্টি হোৱা বোমাতংকৰ পিছতে সুৰক্ষাজনিত কাৰণত জৰুৰী অৱতৰণ কৰা হয় নতুন দিল্লী অভিমুখী বিমানখন। উল্লেখ্য যে এআই-৩৭৯ বিমানখনত সেই সময়ত আছিল ১৫৬ জন যাত্ৰী। এয়াৰপ'ৰ্টছ অৱ থাইলেণ্ডে জনোৱা মতে, জৰুৰীকালীন প্ৰট'কল মানি বিমানখন ফুকেটলৈ উভতি অহাৰ পিছত সকলো যাত্ৰীক নিৰাপদে উলিয়াই অনা হয়। স্থানীয় সময় অনুসৰি পুৱা ৯.৩০ বজাত ফুকেট বিমানবন্দৰৰ পৰা উৰা মাৰি ভাৰত অভিমুখে যোৱাৰ পৰিৱৰ্তে আন্দামান সাগৰৰ ওপৰেৰে এটা বৃহৎ লুপ কৰি থাইলেণ্ড দ্বীপলৈ উভতি যায় বিমানখন। এ অ' টিৰ এজন বিষয়াই নিশ্চিত কৰিছে যে যাত্ৰীসকলক কোনো অঘটন নোহোৱাকৈ বিমানখনৰ পৰা নমাই অনা হয়। অৱশ্যে বোমাৰ ভাবুকিৰ প্ৰকৃতি বা উৎস সন্দৰ্ভত কোনো সবিশেষ প্ৰকাশ কৰা হোৱা নাই। এই ঘটনা সন্দৰ্ভত এয়াৰ ইণ্ডিয়াই এতিয়াও আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰা নাই আৰু সংবাদ মাধ্যমৰ প্ৰশ্নৰ কোনো উত্তৰ দিয়া নাই। স্থানীয় থাইলেণ্ড কৰ্তৃপক্ষই এই ভাবুকিৰ তদন্ত অব্যাহত ৰাখিছে। কিন্তু ভাৰতীয় বিমান সংস্থাক এনে ভাবুকি দিয়াটো প্ৰথম নহয়। যোৱা বছৰ ভাৰতীয় বিমান সংস্থা আৰু বিমানবন্দৰসমূহে কেৱল প্ৰথম দহ মাহতে প্ৰায় এহাজাৰটা ভুৱা বোমাৰ ভাবুকি লাভ কৰিছিল। ২০২২ চনৰ তুলনাত এই ভাবুকি আছিল প্ৰায় দহগুণ বেছি। কিন্তু মাত্ৰ এদিন পূৰ্বে বৃহস্পতিবাৰে আহমেদাবাদত সংঘটিত ভয়াৱহ বিমান দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত শুকুৰবাৰে লাভ কৰা বোমাৰ ভাবুকিয়ে যাত্ৰী আৰু বিমান সংস্থাৰ মাজত উদ্বেগৰ সৃষ্টি কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লীনা দলে ধুবুৰীৰ নতুন এছপি

সন্দেহজনক অৱস্থাত গো-মাংস সদৃশ সামগ্ৰী উদ্ধাৰ হোৱাৰ পিছতে দুয়ো পক্ষৰ সংঘাতত সমগ্ৰ জিলাখনত উত্তেজনা অব্যাহত আছে। ধুবুৰী জিলাত তীব্ৰ উত্তেজনা অব্যাহত থকাৰ সময়তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলাখন ভ্ৰমণ কৰি অহাৰ কেইঘণ্টামান পিছতে জিলাখনৰ আৰক্ষী অধীক্ষক সলনি কৰা হৈছে। ধুবুৰী জিলাৰ আৰক্ষী অধীক্ষক নবীন সিংহক বদলি কৰি মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ লীনা দলেক ধুবুৰীৰ আৰক্ষী অধীক্ষক নিযুক্তি দিয়া হৈছে। আজি গৃহ বিভাগে এখন নিৰ্দেশনা যোগে এই কথা প্ৰকাশ কৰিছে। গো-মাংস কাণ্ডৰ পিছতে ধুবুৰীৰ আৰক্ষী অধীক্ষক নবীন সিংহক তৎকালে বদলি কৰি লীনা দলেক আৰক্ষী অধীক্ষক নিযুক্তি দিয়া হৈছে। নবীন সিংহক চিআইডিলৈ বদলি কৰা হৈছে। লগতে লীনা দলেয়ে কাৰ্যনিৰ্বাহ কৰি থকা হাইলাকান্দিৰ নতুন আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে অমিতাভ সিনহাক। লীনা দলেয়ে ইয়াৰ পূৰ্বে নগাঁও জিলাত আৰক্ষী অধীক্ষক হিচাপে দায়িত্ব পালন কৰিছে। সেই সময়তে নগাঁৱত মহিলা আৰক্ষী পৰিদৰ্শক জোনমণি ৰাভাৰ ৰহস্যজনক অৱস্থাত মৃত্যু হৈছিল। তেতিয়া লীনা দলেৰ বিৰুদ্ধে বহু অভিযোগ উত্থাপন হৈছিল। জোনমণি ৰাভা আছিল অসম আৰক্ষীৰ উপ-পৰিদৰ্শক। নগাঁও জিলাৰ মৰিকলং আৰক্ষী চকীত কৰ্মৰত আছিল। ২০২৩ চনৰ ১৬ মে'ৰ নিশা মাৰুতি এল্ট'ৰ ভিতৰত থকা অৱস্থাতে জখলাবন্ধাৰ সৰুভগীয়াত ৰহস্যজনক অৱস্থাত গাড়ীৰ ভিতৰত মৃতদেহ উদ্ধাৰ হৈছিল। ইউপি-৭৮-ইউটি-৪৫১৮ নম্বৰৰ ট্ৰাকখনে খুন্দা মাৰিছিল বুলি কোৱা হৈছিল। জোনমণিক হত্যা কৰাৰ সন্দেহ কৰা হৈছিল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰত্যাহ্বান আছে, কিন্তু সকলো মিলি...

মন্তব্য প্ৰদান কৰিছে। মিত্ৰতাৰ সপক্ষে মন্তব্য প্ৰদান কৰি প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতিগৰাকীয়ে নাগৰিক সমাজে আটাইকেইটা বিৰোধী দলক এক হৈ নিৰ্বাচন খেলিবলৈ কৈ অহাৰ বিষয়টোক লৈ গৌৰৱ গগৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে মই আগতে কৈছোৱে যে আমাৰ সন্মুখত যি প্ৰত্যাহ্বান আছে তাৰ বিৰুদ্ধে অকলে যুঁজাটো উচিত নহয়। অসমৰ ৰাইজ, নৱপ্ৰজন্ম, বুদ্ধিজীৱী, খেতিয়ক, শ্ৰমিকৰ আশীৰ্বাদৰ দৰকাৰ আছো। আমি আশা কৰো যে আমি সকলোৱে মিলি এক হওঁ। তেওঁ অসমত কংগ্ৰেছ দলৰ উদ্দেশ্যৰ কথা ব্যক্ত কৰি কয় যে আমাৰ উদ্দেশ্য এটাই যে ৰাইজে কৈছে যে মানুহৰ মনত ভয় সুমাইছে। কথা ক'বলৈ ভয় কৰা হৈছে। ভয় আমি আঁতৰাব খুজিছো। আজি অসমত মন'প'লি হৈ আছে। তিনি-চাৰিজন মানুহে সকলো সুবিধা পাইছে। কাম সকলো তেওঁলোকে পাইছে। আমাৰ থলুৱা ঠিকাদাৰে কাম নাপায়। আমি বিকেন্দ্ৰীকৰণ হোৱাটো বিচাৰিছো। সকলোৱে সুযোগ পাওক। সকলোৱে ঠিকা পাওক। সকলোৱে ধনী হোৱাৰ সুযোগ পাওক। হিমন্ত বিশ্ব শৰ্মাই যি মন'প'লিৰ সৃষ্টি কৰিছে তাক ভাঙিব খোজো। জনজাতীয় মানুহৰ মাটি আদানিক গতাব খোজা সিদ্ধান্তৰ বিৰোধ কৰি গৌৰৱ গগৈয়ে কয় যে এইখন চৰকাৰে থলুৱা মানুহৰ সৈতে কথা পতাত ব্যৰ্থ হৈছে। স্থানীয় ৰাইজক বুজাব লাগিছিল আপোনালোকে সংস্থাপন পাব, অঞ্চলৰ উন্নয়ন হ'ব। থলুৱা লোকক অপমানিত কৰি নিজৰ মাটি এৰি যাবলৈ বাধ্য কৰোৱাৰ এক পৰিৱেশৰ সৃষ্টি কৰিছে। এটা কোম্পানীৰ বাবে হিমন্ত বিশ্ব শৰ্মাই এইবিলাক কৰিছে বুলি গগৈয়ে দাবী কৰি কয় যে যি কোম্পানীৰ মালিকৰ সৈতে প্ৰধানমন্ত্ৰীৰ ভাল। প্ৰধানমন্ত্ৰীৰ ঘনিষ্ঠ ব্যৱসায়ী আদানিক সন্তুষ্ট কৰি গাদী ৰক্ষা কৰিব খুজিছে হিমন্ত বিশ্ব শৰ্মাই। বিজেপি দলৰ ভিতৰত চলা চৰ্চাৰ কথা উল্লেখ কৰি গৌৰৱ গগৈয়ে কয় যে অহা নিৰ্বাচনৰ আগত অসমত মুখ্যমন্ত্ৰী সলনি হ'ব পাৰে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল হ'ব পাৰে। যাতে সৰ্বানন্দ সোণোৱাল দিল্লীতে থাকে তাৰ বাবে আদানিৰ কোম্পানীয়ে যি বিচাৰে একো নিয়ম পালন নকৰি সকলো দি সন্তুষ্ট কৰি নিজৰ গাদী ৰক্ষা কৰিব বিচাৰিছে হিমন্ত বিশ্ব শৰ্মাই। ঈদৰ দিনা মন্দিৰত গো-মাংস ৰখাৰ অভিযোগক লৈ ধুবুৰী উত্তপ্ত হৈ থকাৰ সময়তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধুবুৰী ভ্ৰমণ কৰি দেখা মাত্ৰকে গুলী কৰাৰ নিৰ্দেশ দি থৈ আহিছে। এই সন্দৰ্ভত গৌৰৱ গগৈয়ে সামাজিক মাধ্যম যোগে ধুবুৰীত অশান্তি সৃষ্টি কৰিবলৈ অপৰাধমূলক কাৰ্ত জড়িত দুষ্কৃতিকাৰীক প্ৰশাসনে তৎপৰতাৰে চিনাক্ত কৰি কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে। গৌৰৱ গগৈয়ে ধুবুৰী কাণ্ডক লৈ কয় যে দোষীক কৰায়ত্ত কৰিবলৈ যাওঁতে কোনো নিৰীহ নাগৰিক যাতে হাৰাশাস্তিৰ সন্মুখীন নহয় তাৰ প্ৰতিও প্ৰশাসনে সূক্ষ্ম দৃষ্টি ৰখাটো প্ৰয়োজন। আমাৰ সৰ্বসাধাৰণ নাগৰিকৰ যেনেদৰে দেশৰ আইন আৰু ভাৰতীয় সংবিধানৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা তথা ৰক্ষা কৰাটো অন্যতম দায়িত্ব, তেনেদৰে সাংবিধানিক পদত অধিষ্ঠিত হৈ থকাসকলৰো একেই দায়িত্ব। দেশৰ সংবিধানৰ প্ৰতি শ্ৰদ্ধাশীল আমি বিভিন্ন সম্প্ৰদায়ৰ ৰাইজৰ মাজত থকা পাৰস্পৰিক সম্ভাৱ, বিশ্বাস, আস্থা আৰু সম্প্ৰীতিৰ এনাজৰীডাল কেতিয়াও চিঙিবলৈ দিব নোৱাৰো। এই সময়ত আমি সকলোৱে কোনেও কাৰোবাৰ অনুভূতিত আঘাত দিব পৰা বা পাৰস্পৰিক বিশ্বাস ভংগ হ'ব পৰা কোনো ধৰণৰ কাম বা মন্তব্য নিদিয়াতো সময়ৰ দাবী। প্ৰৰোচনামূলক মন্তব্যৰ পৰিবৰ্তে এতিয়া ধৈৰ্য্য, সংযম, আস্থা আৰু পাৰস্পৰিক সম্ভাৱ তথা বিশ্বাস বৰ্তাই ৰখাতো অতিশয় প্ৰয়োজন বুলিও কয় গৌৰৱ গগৈয়ে। সাংগঠনিক স্থিতি সবল কৰিবলৈ পৰ্যবেক্ষক নিযুক্তি দিয়াৰ কথা উল্লেখ কৰি গৌৰৱ গগৈয়ে কয় যে মই নতুনকৈ সভাপতিৰ দায়িত্ব লৈ চেষ্টা কৰিছো যে বৰ্তমানৰ সাংগঠনিক স্থিতি কেনেকুৱা তাৰ বাবে অফিচিয়েল প্ৰতিবেদন জানিব বিচাৰিছো। সেই প্ৰতিবেদন নিখিল ভাৰত কংগ্ৰেছক জমা দিয়া হ'ব। যাৰ বাবে জ্যেষ্ঠ আৰু নতুন প্ৰজন্মক পৰ্যবেক্ষখ নিযুক্তি দিছো। ইতিমধ্যে পৰ্যবেক্ষকসকলে নিজৰ নিজৰ জিলাত গৈছে। আমি খবৰবোৰ পাই আছো। আমি দায়িত্ব লাভৰ পিছতে জ্যেষ্ঠনেতাসকলে জিলাসমূহলৈ, ব্লকলৈ গৈছে। যাৰ বাবে তৃণমূলৰ জ্যেষ্ঠ নেতাসকল আৰু কৰ্মীসকলে ভাল পাইছে। পৰ্যবেক্ষকসকলে যে তৃণমূলৰ পৰ্যায়ত গৈ কাম কৰিবলৈ সুযোগ পাইছে তাৰ বাবে বিধায়ককে ধৰি পৰ্যবেক্ষকসকলে ভাল পাইছে। পৰ্যবেক্ষসকলে ১৮ জুনত প্ৰতিবেদন জমা দিব লাগিব। গৌৰৱ গগৈয়ে পৰ্যবেক্ষকসকলে যেতিয়া সমষ্টিলৈ গৈছে তেতিয়া ১৫০ জন মানুহ পৰ্যন্ত লগ কৰিব আহিছে বুলি দাবী কৰি কয় যে ইমান মানুহ গোট খাইছে। আমি ব্লকে প্ৰতি ১০গৰাকী তৃণমূলৰ নেতাকহে লগ কৰিব খুজিছিলো কিন্তু এতিয়া বহু মানুহ ওলাই আহিছে। মই খবৰ পাইছো পৰ্যবেক্ষকৰ কামত মানুহ সন্তুষ্ট।

# হাওৰাঘাট উঃ মাঃ বিদ্যালয়ৰ সহকাৰী শিক্ষক জ্যোতিকান্ত বৰাক আনুষ্ঠানিক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, হাওৰাঘাট, ১৩ জুনঃ** পাৰ্বত্য জিলা কাৰ্বি আংলংৰ ঐতিহ্যমণ্ডিত হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি সদ্য বিদায়ী জ্যেষ্ঠ সহকাৰী শিক্ষক জ্যোতিকান্ত বৰাক বিদ্যালয় পৰিয়ালবৰ্গই জনায় বিদায় সম্ভাষণ। বিদ্যালয়খনক নিজৰ কৰি শিক্ষাদানৰ দৰে মহৎ কৰ্মত ব্ৰতী হৈ শিক্ষাৰ্থীক পোহৰৰ বাট দেখুৱাই সুদীৰ্ঘ ৭ বছৰে শিক্ষাদান দিয়া বৰাক আৱেগিক হৈ বিদ্যালয়ৰ শিক্ষক - কৰ্মচাৰীৰ লগতে শিক্ষাৰ্থী সকলে জনায় সম্বৰ্ধনা। অধ্যক্ষ দেবেন্দ্ৰ শৰ্মাৰ সভাপতিত্বত আনুষ্ঠানিক বিদায় সম্বৰ্ধনা সভাখনৰ আঁত ধৰে জ্যেষ্ঠ ৰসায়ন বিজ্ঞান বিষয় শিক্ষক ৰমা শংকৰ শুপ্তাই, উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ অৰ্থনীত বিষয় শিক্ষক কৃষ্ণ সাহা, সভাৰ আৰম্ভণিতে শিক্ষাৰ্থীৰ লগতে দুগৰাকী শিক্ষকৰ গীতেৰে বৰাক জনোৱা হয় সম্বৰ্ধনা। নিমন্ত্ৰিত অতিথিসকলৰ ভিতৰত বিদ্যালয়ৰ একালৰ অৱসৰী জ্যেষ্ঠ ইংৰাজী বিষয় শিক্ষক বুঢ়ান উদ্দিন, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি-সদস্যসকলৰ লগতে কৰ্মৰত শিক্ষক-কৰ্মচাৰী উপস্থিত থাকে। কৃতী শিক্ষক বৰাক বিদ্যালয় পৰিয়ালে শৰাই, গামোচা, কাৰ্বি পছু, চই হংথৰ, ফুলৰ থোপা, কলম, জাপি, স্মৃতি স্থিৰচিত্ৰ, ছাতি, ডিমাচা জনগোষ্ঠীৰ ৰামাই ৰিগছা, বড়ো জনগোষ্ঠীৰ আৰনাই, গ্ৰন্থ, বস্ত্ৰ, আদিৰ লগতে সম্বৰ্ধনা-পত্ৰ আদিৰে জনোৱা হয় সম্বৰ্ধনা। শিক্ষক জীৱনৰ অতীত সুঁৱৰি নষ্টালজিক আবেগিক হৈ পৰাৰ লগতে বিদ্যালয় পৰিয়ালে এনে সম্বৰ্ধনা জনোৱাৰ বাবে সকলোকে ধন্যবাদ জনায় কৃতী শিক্ষক জ্যেতিকান্ত বৰাই। বিদ্যালয় পৰিয়ালে আগবঢ়োৱা সম্বৰ্ধনা-পত্ৰখন পাঠ কৰে সহকাৰী শিক্ষয়িত্ৰী সবিতা সন্দিকৈয়ে। শেষত জ্যেষ্ঠ বিষয় ইংৰাজী শিক্ষক ভূপেন্দ্ৰ শৰ্মাৰ শলাগৰ শৰাইৰ মাজতে অধ্যক্ষ দেবেন্দ্ৰ শৰ্মাই জাতীয় সংগীত পৰিবেশনেৰে ভংগ কৰে সভা।

# কুলশী নৈত গা ধুবলৈ গৈ সন্ধানহীন যুৱকৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, মিৰ্জা, ১৩ জুনঃ** দক্ষিণ কামৰূপৰ অসম-মেঘালয় সীমান্তৱৰ্তী ৰাণী-খামাৰৰ কুলশী নৈত গা ধুবলৈ নামি যোৱা ১১ জুনৰ পৰা সন্ধানহীন হয় দুই যুৱক। সন্ধানহীন হোৱা যুৱক দুজন ক্ৰমে ৰিংকু বৰ্মন (২৭) আৰু হিমনজিৎ শইকীয়া (২৬ )। দুয়ো গুৱাহাটীৰ ভৰলু শান্তিপুৰ নিবাসী। ৰাণী-খামাৰ পৰ্যটনস্থলত বনভোজৰ বাবে ১০ জনীয়া দলটো আহিছিল। গা ধুবলৈ নামি যোৱা যুৱক কেইজন নিচাসক্ত অৱস্থাত থকা বুলি সমনীয়া বন্ধুবৰ্গই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। ঘটনাস্থলীত পলাশবাৰী আৰক্ষী চকীৰ তত্বাৱধানৰ লগতে স্থানীয় ৰাইজৰ সহযোগত এছডিআৰএফ আৰু এনডিআৰএফ বাহিনীয়ে উদ্ধাৰ অভিযান চলায়। পৰৱৰ্তী সময়ত প্ৰশাসনৰ কঠোৰ চেষ্টাত দুয়োটা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

# অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল মালিকৰ মৃত্যু

**ই সংবাদ, গেলেকী, ১৩ জুনঃ** লাড়িগড় মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন সহকাৰী শিক্ষক তথা দেওপানী গোসাঁই গাঁও নিবাসী আব্দুল মালিক (৬৩) ৰ আজি মৃত্যু হয়। জানিব পৰা মতে শুকুৰবাৰে দিনত নিজৰ খেতি-পথাৰত কঠীয়া সিঁচি থকা অৱস্থাত দিনৰ প্ৰায় ১০ বজাত প্ৰচণ্ড গৰমত স্বাস্থ্যৰ কিছু অৱনতি ঘটে। ফলত ততাতৈয়াকৈ পৰিয়ালৰ লোকে জয়সাগৰ অসামৰিক চিকিৎসালয়লৈ চিকিৎসাৰ বাবে লৈ গৈছিল যদিও মাজবাটতে শেষ নিশ্বাস ত্যাগ কৰে আব্দুল মালিকে। তেওঁৰ মৃত্যুত সমগ্ৰ মিছাজান অঞ্চলত শোকৰ ছাঁ পৰিছে। অমায়িক আৰু ভদ্ৰ স্বভাৱৰ মালিকে পত্নী, দুগৰাকী কন্যা আৰু এটি নাতিক সংসাৰত এৰি যায়।

# বৰপেটাৰোডৰ যুৱ ব্যৱসায়ী ধৰ্মেন্দ্ৰ চৌধুৰীৰ মৃত্যু

**ই-সংবাদ, বৰপেটাৰোড, ১৩ জুনঃ** বৰপেটাৰোডৰ অম্বিকাগিৰী চ'ক নিবাসী বিশিষ্ট ব্যৱসায়ী বনজিৎ চৌধুৰী আৰু অনিতা চৌধুৰীৰ একমাত্ৰ সন্তান বৰপেটাৰোডৰ যুৱ ব্যৱসায়ী ধৰ্মেন্দ্ৰ চৌধুৰী (৩৮) ৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত ধৰ্মেন্দ্ৰ চৌধুৰীয়ে পিতৃ, মাতৃ ,পত্নী, ৮ বছৰীয়া এটি সন্তান আৰু একমাত্ৰ ভগ্নী হিমাক্ষী চৌধুৰী ভূঞাৰ লগতে অগণন গুণমুগ্ধক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত বৰপেটাৰোডবাসীয়ে গভীৰ শোক প্ৰকাশ কৰে।

# যোৰহাটত ট্ৰাকৰ মুখামুখি সংঘৰ্ষত থিতাতে নিহত এজন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৩ জুনঃ** ৭১৫ (৩৭) নং ৰাষ্ট্ৰীয় পথটো চাৰিলেন কৰাৰ পৰা নিতৌ সংঘটিত হৈছে দুৰ্ঘটনা। এই দুৰ্ঘটনাত বহুজনৰ মৃত্যু হোৱাৰ লগতে চিৰ জীৱনৰ বাবে ঘুণীয়া হৈছে বহুজন। দুৰ্ঘটনাবোৰ প্ৰায় একেটা স্থানতে সংঘটিত হোৱাই প্ৰমাণ কৰে ৰাষ্ট্ৰীয় পথটো নিৰ্মাণত বিসংগতি আছে। ১১ জুনত এখন ডাম্পাৰে এখন স্কুটী আৰোহীক মহটিয়াই নিয়া স্থানতে আজি পুৱাবেলা সংঘটিত হয় যোৰহাট পুলিবৰত দুখন ট্ৰাকৰ মুখামুখি সংঘৰ্ষ। উক্ত দুৰ্ঘটনাত যোৰহাট অভিমুখী ট্ৰাক (এ এছ-০১ এফ চি-২৩৯৫) খনৰ চালকজন থিতাতে নিহত হয়। নিহত চালকজনৰ নাম সুভাষ তাঁতী। ঘৰ গুৱাহাটীত বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণী মতে পি বি-১১ চি এম-৯৭৯০ নম্বৰৰ ট্ৰাকখন ৰাষ্ট্ৰীয় পথটোৰ উত্তৰ দিশৰ পথটোৰে বিপৰীত দিশত গৈ থকাৰ ফলতে সঠিক দিশত আহি থকা এ এছ-০১ এফ চি-২৩৯৫ নম্বৰৰ ট্ৰাকখনৰ সৈতে মুখামুখিকৈ সংঘৰ্ষ হয়। ক্ৰেন আনি এখন ট্ৰাক পিছলৈ অনাৰ পিছতহে ট্ৰাক দুখনত থকা লোকসকলক এছ ডি আৰ এফে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আনখন ট্ৰাকৰ চালকৰো অৱস্থা সংকটজনক। ট্ৰাকত থকা কেউজন লোকক যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ ততাতৈয়াকৈ প্ৰেৰণ কৰা হয়। যোৰহাট পুলিবৰ থানাৰ অধীনস্থ আই এছ বি টি পি পি পোষ্টৰ আৰক্ষীয়ে ঘটনাৰ তদন্ত কৰাৰ লগতে দুয়োখন দুৰ্ঘটনাগ্ৰস্ত ট্ৰাক জব্দ কৰিছে।

# গোৰেশ্বৰৰ সুৱাগপুৰ হাইস্কুলৰ শিক্ষকক নিলম্বনক লৈ উৎকণ্ঠা

**ই-সংবাদ, গোৰেশ্বৰ, ১৩ জুনঃ** চাৰিআলি-ৰামগাঁও-নাগ্ৰীজুলি ৰাজ্যিক ঘাইপথৰ মহৰিপাৰাৰ পৰা উত্তৰে বাঙালীপাৰালৈকে থকা পথ অংশৰ দুৰৱস্থা সন্দৰ্ভত চৰকাৰবিৰোধী মন্তব্য নিউজ চেনেলত কৰাৰ অপৰাধত ১০ জুনত জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে তামুলপুৰ জিলাৰ গোৰেশ্বৰ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত সুৱাগপুৰ হাইস্কুলৰ সহঃ শিক্ষক দিগন্ত বেজবৰুৱাক নিলম্বন কৰাৰ নিৰ্দেশ-পত্ৰখন সংবাদ-সামাজিক মাধ্যমত ভাইৰেল হৈ পৰে। নিয়মানুবৰ্তিতাৰে ১৫ বছৰ শিক্ষকতা কৰি অহা আৰু অভিভাৱক সমাজৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অতিকৈ প্ৰিয় শিক্ষাকজনক নিউজ চেনেলত কৰা মন্তব্যৰ বাবেই শিক্ষা বিষয়াই নিলম্বন কৰা কাৰ্যত এলেকাটোত প্ৰতিক্ৰিয়া অব্যাহত আছে। শিক্ষকজনক নিলম্বনৰ কৰাৰ খবৰ সংবাদ আৰু সামাজিক মাধ্যমত প্ৰচাৰ হৈছে যদিও বাতৰি লিখাৰ পৰলৈকে সুৱাগপুৰ হাইস্কুলৰ এছ এম ডি চি তথা শিক্ষক বেজবৰুৱাই নিলম্বনৰ নিৰ্দেশ-পত্ৰ লাভ কৰা নাই। নিলম্বনৰ নিৰ্দেশ-পত্ৰ লাভ নকৰাত দোমোজাত পৰিছে বিদ্যালয়প্ৰধানৰ লগতে শিক্ষক বেজবৰুৱাই। ৰাজনৈতিক হেঁচাত শিক্ষা বিষয়াই শিক্ষক বেজবৰুৱাক নিলম্বন কৰি অনুন্নত এলেকাৰ শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৃহৎ ক্ষতি কৰিছে বুলি সমালোচিত হৈছে। ইফালে উক্ত শিক্ষানুষ্ঠানৰ প্ৰাক্তন ছাত্ৰ সমাজ, অভিভাৱক সমাজ আৰু শুভাকাংক্ষীয়ে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি নিলম্বন প্ৰত্যাহাৰৰ দাবী জনাইছে। অন্যথা গণতান্ত্ৰিক আন্দোলনৰ ভাবুকি প্ৰদান কৰিছে।

# বৰহেৰামদোত মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ উদযাপন

**ই-সংবাদ, মিৰ্জা, ১৩ জুনঃ** দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত সামাজিক-সাংস্কৃতিক অনুষ্ঠান বৰহেৰামদো কাঁহিগংগা পুথিভঁৰালৰ উদ্যোগত আৰু বৰহেৰামদো ৰাইজ গয়ৰহৰ সম্পূৰ্ণ সহযোগত বৃহস্পতিবাৰে এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বৰহেৰামদো সত্ৰ আৰু বৰহেৰামদো কাঁহিগংগা পুথিভঁৰাল প্ৰাংগণত মহাপুৰুষ মাধৱদেৱৰ ৫৩৭ সংখ্যক জন্মোৎসৱ উদযাপন কৰা পৰিলক্ষিত হয়। দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ঊষা কীৰ্তন, সত্ৰ চৌহদত ধৰ্মধ্বজা উত্তোলন, নাম-প্ৰসংগ, ভাগৱত শোভাযাত্ৰা, আইসকলৰ দিহানাম প্ৰদৰ্শনৰ লগতে আবেলি সৰু ল'ৰা-ছোৱালীৰ খেল-ধেমালি অনুষ্ঠিত হয়। আবেলি উন্মোচন কৰা হয় প্ৰাচীৰ পত্ৰিকা 'কাঁহিগংগা'। বিশিষ্ট সমাজকৰ্মী হেমন্ত কলিতা আৰু অধ্যাপক যুগল চন্দ্ৰ বৈশ্যৰ উপস্থিতিত উক্ত অনুষ্ঠানটো সম্পন্ন কৰা হয়। ৰংগমঞ্চ



মুকলি কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই, বন্তি প্ৰজ্বলন কৰে পঞ্চায়ত সদস্য হীৰামণি ৰাভা কছাৰীয়ে। বঁটা বিতৰণৰ লগতে কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা কাৰ্যসূচীও ৰূপায়ণ কৰা হয় উক্ত অনুষ্ঠানত। সন্ধিয়া ৰংগমঞ্চত মাধৱদেৱ বিৰচিত আৰু ভাৱত মহন্ত আৰু ধনমণি দাস পৰিচালিত ঝুমুৰা-ভাওনা 'চোৰ ধৰা' মঞ্চায়ন কৰাৰ লগতে নিশা নয়ন বৈশ্যৰ দ্বাৰা ৰচিত তথা পৱন মহন্তৰ দ্বাৰা পৰিচালিত সামাজিক নাট 'টেলিস্কোপ' প্ৰদৰ্শন কৰা হয়।

## পৰ্বতঝোৰাৰ প্ৰতিবাদত একাংশই ৰাজনৈতিক লাভালাভ বিচাৰিছেঃ প্ৰমোদ বড়ো

# মাটি-ভেটি ৰক্ষাৰ বাবে ওলাই অহা জনতাক চৰম উপহাস বিটিচিপ্ৰধানৰ

**ই-সংবাদ, ওদালগুৰি, ১৩ জুনঃ** ওদালগুৰি জিলাৰ ধনশ্ৰীঘাট লক্ষ্মী মন্দিৰ খেলপথাৰত আজি ৰৌতা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকলৰ সন্মিলন তথা সামাজিক-অৰ্থনৈতিক সজাগতা অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বিভিন্ন হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণৰ লগতে হিতাধিকাৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত বড়োৱে কয়, "বিটিআৰৰ ৪০ টা পৰিষদীয় সমষ্টিতে হিতাধিকাৰীসকলক লৈ বিভিন্ন ধৰণৰ অনুষ্ঠান চলি আছে। কেন্দ্ৰ, ৰাজ্য আৰু বিটিচি প্ৰশাসনে হিতাধিকাৰীসকলক প্ৰদান কৰা বিভিন্ন আঁচনিসমূহ যাতে সফলভাৱে ৰূপায়ণ হয় তাৰ প্ৰতি লক্ষ্য ৰাখি হিতাধিকাৰীসকলৰ সৈতে ভাব বিনিময় কৰিছো। দেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখনক বিকশিত দেশ গঢ়াৰ উদ্দেশ্যে যিবোৰ আঁচনি হাতত লৈছে, সেই আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়ণ হ'লেহে আমাৰ অঞ্চলসমূহ বিকশিত হোৱাটো পোহৰলৈ আহিব। সমান্তৰালভাৱে ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীৰ লগতে বিটিআৰ চৰকাৰে প্ৰদান কৰা বিভিন্ন সা-সুবিধা তথা আঁচনিসমূহো ভালদৰে ৰূপায়ণ হ'ব লাগিব। কেৱল ধনসমূহ প্ৰদান কৰিলেই নহ'ব। ইয়াৰ জৰিয়তে সঠিক ৰূপায়ণ হৈছেনে নাই তাৰ প্ৰতি দৃষ্টি দিব লাগিব। কি উদ্দেশ্যে আঁচনিসমূহ প্ৰদান কৰা হৈছে সেই উদ্দেশ্যসমূহৰ বিষয়ে জনাবলৈও এই হিতাধিকাৰী সন্মিলন হাতত লোৱা হৈছে। এইক্ষেত্ৰত গ্ৰামোন্নয়ন বিভাগকে ধৰি বিভিন্ন বিভাগসমূহে ভালদৰে কামসমূহ কৰিলে আমি নিজৰ লক্ষ্যত উপনীত হবলৈ সক্ষম হ'ম। আমি কেন্দ্ৰ তথা ৰাজ্য চৰকাৰক ধন্যবাদ জনাওঁ যে আঁচনিসমূহ সঠিক সময়ত আমাৰ ওচৰলৈ অহাৰ বাবে আমি তাক সুন্দৰভাৱে ৰূপায়ণ কৰিববলৈ সক্ষম হম।" ইফালে মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু হাগ্ৰামা মহিলাৰীয়ে এক বিশেষ ৰিজৰ্টত গোপন বৈঠক সন্দৰ্ভত মিলিত হোৱা বিষয়ত সাংবাদিকে প্ৰশ্ন কৰাত বড়োৱে কৌশলপূৰ্ণভাৱে মন্তব্য কৰি কয়, "মই যিহেতু তাত নাছিলো, গতিকে মই বিষয়টো কেনেকৈ গম পাম? আলোচনা কৰাৰ সকলোৱে অধিকাৰ আছে। এটা দলে আনটো দলৰ সৈতে আলোচনা কৰাটো ডাঙৰ কথা নহয়। ৰাজনীতিত এইবোৰ চলি থাকে। বিষয়টোক লৈ মই একো ক'ব বিচৰা নাই। মই নিজৰ কাম কৰি আছো আৰু সকলোৱে নিজৰ নিজৰ কাম কৰি আছে।" ইফালে কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰাত চলি থকা প্ৰতিবাদ সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত বড়োৱে কয়, "ইতিমধ্যে আমি চাৰিবাৰকৈ প্ৰকল্পৰ মেপ সলনি কৰিছো। ইয়াত ৰাইজৰ মাটি বা ঘৰ অহা নাই। এপিডিচিএলৰ এটি ডাঙৰ প্ৰকল্প আমি পাইছো। আমি জনা হোৱাৰ পৰা এনে ধৰণৰ প্ৰকল্প হয়তো বিটিআৰত হোৱা নাই, যিটো প্ৰকল্পত ব্যয় হ'ব প্ৰায় ১৮ হাজাৰ কোটি টকা। ইয়াত হাজাৰ হাজাৰ নিবনুৱাই সংস্থাপন লাভ কৰিব। ইয়াত দুই-এখন গাঁৱৰ ৰাইজে অসন্তুষ্টি কৰি আছে, আমি তেওঁলোকৰ সৈতে আলোচনা কৰিম। ইতিমধ্যে তেওলোকৰ কিছু গাঁওবুঢ়াৰ সৈতে আমি আলোচনাও কৰিছিলো। অৱশ্যে কিছু লোকে প্ৰতিবাদত উদগনি দিয়াও দেখা গৈছে। এয়া ইমান ডাঙৰ ঘটনা নহয়। কিছু লোকে ৰাজনৈতিক লাভালাভৰ বাবে প্ৰতিবাদকাৰীক উচতনি দিছে। ইয়াত ক্ষতি যিমান হ'ব বুলি ভাবিছে, তাতকৈ লাভ বেছি হ'ব।" আজিৰ এই কাৰ্যসূচীত সাংসদ ৰণগৌৰা নাৰ্জাৰী, ই এম ড° নিলুট স্বৰ্গীয়াৰীৰ লগতে ইউপিপিএলৰ বহু নেতা-কৰ্মী আৰু সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হিতাধিকাৰীসকল উপস্থিত থাকে।

## পংকজ পল্লৱ শৰ্মাৰ গ্ৰন্থ 'বিতৰ্ক আৰু ভাইৰেল' উন্মোচন

# বিতৰ্কৰে নহয়, ভাইৰেল বৌদ্ধিক চিন্তা-চৰ্চাৰে হোৱা উচিতঃ হৃষীকেশ গোস্বামী

**ই-সংবাদ, ৰঙিয়া, ১৩ জুনঃ** সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ ক্ষেত্ৰখনত বহুলভাৱে জনপ্ৰিয়তা অৰ্জন কৰিছে ভাইৰেল শব্দটিয়ে। সততে বিতৰ্কিত কৰ্মকাণ্ড বা বিষয় ভাইৰেল হোৱা পৰিলক্ষিত হয়। ভাইৰেল বিতৰ্কৰে নহয় বৌদ্ধিক চিন্তা-চৰ্চাৰেহে হোৱা উচিত। এই মন্তব্য অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষীকেশ গোস্বামীৰ। ৰঙিয়াৰ ৰাইজমেল কৃষক ছহিদ ভৱন প্ৰেক্ষাগৃহত বৃহস্পতিবাৰে আয়োজন কৰা পংকজ পল্লৱ শৰ্মাৰ 'বিতৰ্ক আৰু ভাইৰেল'ৰ দ্বিতীয় সংখ্যা উন্মোচনী অনুষ্ঠানত উন্মোচক ৰূপে উপস্থিত থাকি গোস্বামীয়ে লগতে কয় যে বৌদ্ধিক চিন্তা-চৰ্চা অবিহনে মানুহ দাস বা তোষামোদকাৰীত পৰিণত হয়। প্ৰসংগক্ৰমে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰসংগ উত্থাপন কৰি গোস্বামীয়ে কয় যে অসমতে নহয় সমগ্ৰ বিশ্বতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাই জনপ্ৰিয়তা অৰ্জন কৰি গৈছে। ইয়াৰ অন্তৰালত আছিল সুধাকণ্ঠৰ গভীৰ অন্তৰ্নিহিত অৰ্থপূৰ্ণ শব্দশৈলীৰে ৰচিত গীতসমূহ। জনপ্ৰিয় হ'বলৈ আজন্ম শিল্পীগৰাকীয়ে কেতিয়াও বিতৰ্কিত শব্দ প্ৰকাশ কৰা নাছিল বুলিও ভাষণ প্ৰসংগত উল্লেখ কৰে গোস্বামীয়ে। ইফালে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ উদ্বোধন কৰে এমন্ত্ৰনৰ উপ-প্ৰবন্ধক তথা 'সংস্কৃতিৰ দাপোণ' কাকতৰ মুখ্য সম্পাদক দীনমণি ভাণ্ডাৰ কায়স্থই। উদ্বোধনী ভাষণ প্ৰসংগত প্ৰতিভাৱান লেখক পংকজ পল্লৱ শৰ্মাৰ সাহিত্য জগতলৈ আগবঢ়োৱা বৰঙণি প্ৰশংসনীয় বুলি অভিহিত কৰে। ৰণদিয়া শতদল সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত উন্মোচনী সভাত স্থানীয় বিধায়ক ভৱেশ কলিতা, কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ডঃ গণেশ্বৰ চহৰীয়া, প্ৰাক্তন আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ ভট্টাচাৰ্য, কলা সমালোচক অংকুৰ ডেকাৰ লগতে 'অসমীয়া প্ৰতিদিন' কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক অঞ্জন কুমাৰ শৰ্মা, বিশিষ্ট সমাজকৰ্মী তবিবৰ ৰহমান প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি ভাষণ ৰাখে। গুৱাহাটীৰ এম আৰ পাব্লিকেচনৰ হৈ অপূৰ্ব কলিতাই প্ৰকাশ কৰা বিতৰ্ক আৰু ভাইৰেল গ্ৰন্থখনৰ দ্বিতীয় প্ৰকাশক লৈ স্বাভাৱিকতে আগ্ৰহী পৰে সভাত উপস্থিত গ্ৰন্থানুৰাগীসকল।

# পাটেকীবড়ি সত্ৰত দুদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষীয়া পৰম্পৰাৰ পালনামৰ আয়োজন

**ই-সংবাদ, মৈৰাবাৰী, ১৩ জুনঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থান শ্ৰীশ্ৰী আলিপুখুৰী পাটেকীবড়ি সত্ৰত আগন্তুক ১৪ আৰু ১৫ জুনত মহা পালনাম উদযাপন কৰা হ'ব। এই শুভ উপলক্ষে সত্ৰ প্ৰাংগণত দুদিনীয়া আধ্যাত্মিক অনুষ্ঠানৰ আয়োজন ইতিমধ্যে আৰম্ভ হৈছে। এই মহা পালনামত শংকৰ পৰম্পৰাৰ পবিত্ৰ কীৰ্তন-ঘোষা আৰু নাম-প্ৰসংগত ভক্ত হৃদয় একত্ৰিত হ'ব। অঞ্চলবাসী ভক্তগণক আয়োজকে সহায়-সহযোগ আৰু উপস্হিত থাকি ধৰ্মীয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আন্তৰিক আহ্বান জনাইছে। দুদিনীয়া কাৰ্যসূচীত আৰম্ভণিৰ দিনা মহা পালনাম ভাগৰ উদ্বোধন কৰিব মৈৰাবাৰী আৰক্ষী থানাৰ পৰিদৰ্শক পংকজ দাসে। আনহাতে ৰাজ্যখনৰ কেইবাগৰাকীও নেতা আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। সকলোৱে মিলি এই পবিত্ৰ অনুষ্ঠান সফল কৰা আৰু শংকৰী ধৰ্মৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰাৰ আহ্বান জনায় সত্ৰৰ সত্ৰাধিকাৰে।

## সামৰিক আৰু পাৰমাণৱিক ঘাটিসমূহক লক্ষ্য কৰি অভিযান

# উত্তেজনাৰ মাজতে ইৰাণৰ বিৰুদ্ধে বৃহৎ আক্ৰমণ ইজৰাইলৰ

**টেহৰান, ১৩ জুন:** বৰ্ধিত উত্তেজনাৰ মাজতে ইৰাণৰ বিৰুদ্ধে বৃহৎ আক্ৰমণ আৰম্ভ কৰিছে ইজৰাইলে। আজি পুৱাৰৰ ভাগতে ইজৰাইলে ইৰাণৰ ওপৰত বৃহৎ পৰিসৰৰ বিমান আক্ৰমণ চলায়, য'ত গুৰুত্বপূৰ্ণ সামৰিক আৰু পাৰমাণৱিক প্ৰতিষ্ঠানসমূহক লক্ষ্য কৰি লোৱা হয়। "অপাৰেচন ৰাইজিং লায়ন" নামৰ এই অভিযানত ৰিভল্যুচনেৰী গাৰ্ডৰ অধিনায়ক হোচেইন চালামি আৰু ব্ৰিগেডিয়াৰ জেনেৰেল মহম্মদ বাঘেৰীকে ধৰি ইৰাণৰ কেইবাজনো জ্যেষ্ঠ বিষয়াৰ মৃত্যু হয়। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনী আৰু মোছাদে এই আক্ৰমণ চলাইছিল, যিয়ে নাটাঞ্জ, খোণ্ডাব, আৰু খোৰামাবাদৰ পাৰমাণৱিক স্থানৰ লগতে সামৰিক প্ৰতিষ্ঠান আৰু উচ্চ পদস্থ বিষয়াৰ বাসগৃহত আঘাত হানে। ইৰাণৰ চৰকাৰী সংবাদ মাধ্যমে সাধাৰণ লোকৰ মৃত্যুৰ বাতৰি প্ৰকাশ কৰিছে। জানিব পৰা মতে সমগ্ৰ তেহৰাণতে বিস্ফোৰণৰ শব্দ শুনা গৈছিল। দুয়োখন দেশৰ মাজত হোৱা ধাৰাবাহিক উত্তেজনাৰ পিছতে এই সামৰিক আক্ৰমণ সংঘটিত হয়। ২০২৪ চনৰ এপ্ৰিল মাহত ইৰাণে ইজৰাইলত ৩০০ৰো অধিক ক্ষেপণাস্ত্ৰ আৰু ড্ৰ'ন নিক্ষেপ কৰিছিল, যি আছিল ইজৰাইলৰ ভূখণ্ডত প্ৰথমবাৰৰ বাবে চলোৱা প্ৰত্যক্ষ আক্ৰমণ। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে ইজৰাইলে ছিৰিয়া আৰু ইৰাকত ইৰাণৰ লক্ষ্যস্থানত বিমান আক্ৰমণ কৰে। ২০১৫ চনৰ ইৰাণ পাৰমাণৱিক চুক্তিৰ পতন আৰু ইউৰেনিয়াম সমৃদ্ধিৰ ক্ষেত্ৰত ইৰাণৰ অগ্ৰগতিৰ লগে লগে উত্তেজনা আৰু অধিক বৃদ্ধি পায়, যাৰ ফলত আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থাই ইৰাণক পাৰমাণৱিক বাধ্যবাধকতা অমান্য কৰা বুলি ঘোষণা কৰিবলৈ বাধ্য হয়। শেহতীয়াকৈ ইজৰাইলী আক্ৰমণে আন্তঃৰাষ্ট্ৰীয় উদ্বেগৰ সৃষ্টি কৰিছে, বিশ্লেষকসকলে ইৰাণৰ সম্ভাব্য প্ৰতিশোধ আৰু বিস্তৃত আঞ্চলিক সংঘাতৰ আশংকাৰ বিষয়ে সকীয়াই দিছে। পৰিস্থিতি বৰ্তমান স্পৰ্শকাতৰ হৈ আছে আৰু দুয়োখন দেশ হাই এলাৰ্টত থকা বুলি জানিব পৰা গৈছে।



আহমেদাবাদত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাৰ স্থান পৰিদৰ্শন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ, ফটো, শুকুৰবাৰ

# আহমেদাবাদৰ বিজে হাস্পতালৰ কেণ্টিনত এতিয়া কেৱল মৰাশ, ইন্ধনৰ গোন্ধ



**আহমেদাবাদ, ১৩ জুন:** বৃহস্পতিবাৰে লণ্ডন অভিমুখী বয়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ জেট বিমানখনে খুন্দা মৰাৰ সময়ত আহমেদাবাদৰ বিজে হাস্পতালৰ এখন হোষ্টেলৰ কেণ্টিনত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আছিল বহুকেইজন কণিষ্ঠ চিকিৎসকে। আছিল অন্যান্য কৰ্মচাৰীও। কিন্তু আহাৰ গ্ৰহণ কৰি শেষ নহওঁতেই ঘটিল কোনেও ভাবিব নোৱাৰা ঘটনাটো। স্থানীয় সংবাদ মাধ্যমৰ মতে, বিমানখনৰ যাত্ৰীসকলৰ উপৰি গ্ৰাউণ্ডত থকা ২৪ জন লোক নিহত হৈছে। ভয়াৱহ দুৰ্ঘটনাটোৰ এদিন পাছতো বি জে মেডিকেল কলেজৰ হোষ্টেলৰ পাকঘৰত কাম কৰা ঠাকুৰ ৰবিয়ে বিচাৰি আছে কেণ্টিনত ৰান্ধনী হিচাপে কাম কৰা মাক আৰু তেওঁৰ তত্বাৱধানত এৰি থৈ যোৱা দুবছৰীয়া কন্যাক। শেষবাৰৰ বাবে তেওঁলোকক দুৰ্ঘটনাৰ প্ৰায় আধা ঘণ্টা আগতে চিকিৎসালয়খনৰ জ্যেষ্ঠ চিকিৎসকসকলক টিফিন বক্স ডেলিভাৰী কৰিবলৈ যোৱা দেখা পাইছিল তেওঁ। হোষ্টেলত খাদ্য ৰান্ধি থকা আন সকলো মহিলাই কোনোমতে পলায়ন কৰিবলৈ সক্ষম হৈছিল যদিও তেওঁৰ মাক আৰু ছোৱালীজনীক ভিতৰতে থাকি গৈছিল। কলেজখনৰ কনিষ্ঠ চিকিৎসক এছ'চিয়েশ্যনৰ অংশ হিচাপে থকা এজন আৱাসী চিকিৎসকে নাম প্ৰকাশ নকৰাকৈয়ে জনোৱা মতে, দুৰ্ঘটনাত কমেও চাৰিজন স্নাতক ছাত্ৰ আৰু ছাত্ৰ-ছাত্ৰীৰ পাঁচজন আত্মীয়ৰ মৃত্যু হৈছে। এই কাণ্ডৰ কিছু সময়ৰ পিছতে ডাইনিং এৰিয়াৰ ছবিত দেখা গৈছে যে বিমানখনৰ চকা আৰু অন্যান্য অংশ দেৱালত সোমাই থকাৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীসকলৰ কাপোৰ-কানিকে ধৰি ধ্বংসাৱশেষ আৰু সামগ্ৰী মজিয়াত সিঁচৰতি হৈ পৰি আছে। অক্ষত অৱস্থাত থকা কেইখনমান টেবুলৰ ওপৰত কিছু খাদ্য থকা ষ্টীলৰ গিলাচ আৰু প্লেটবোৰ পৰি আছে, বিমানখনৰ এটা অংশ যিটো আংশিকভাৱে ক্ষতিগ্ৰস্ত অট্টালিকাটোৰ ওপৰত সোমাই আছিল, তাৰ পৰা ভিতৰৰ ধ্বংসলীলাৰ ইংগিত পোৱা যায়। আজি ঠাইখনত জেট ইন্ধনৰ তীব্ৰ দুৰ্গন্ধ বিয়পি আছিল, আনহাতে হোষ্টেলৰ ওপৰৰ মহলাৰ বেৰৰ এটা অংশ মাটিত পৰি আছিল।

# মাতৃৰ অস্থি বিসৰ্জন দিবলৈ অহা পিতৃকো হেৰুৱালে দুই কন্যাই

**আহমেদাবাদ ১৩ জুন:** গুজৰাটত প্ৰয়াত পত্নীৰ অন্তিম ইচ্ছা পূৰণ কৰাৰ মাত্ৰ কেইদিনমানৰ পিছতে বৃহস্পতিবাৰে আহমেদাবাদত সংঘটিত হোৱা এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত লণ্ডন নিবাসী ভাৰতীয় অৰ্জুন মনুভাই পাটোলিয়াই প্ৰাণ হেৰুৱায়। দুটি সন্তানৰ পিতৃ ৩৮ বছৰীয়া লোকজনে ব্ৰিটেইনৰ পৰা গুজৰাটৰ আমৰেলী জিলালৈ গৈ এসপ্তাহ পূৰ্বে লণ্ডনত মৃত্যু হোৱা পত্নী ভাৰতীবেনৰ অস্থি বিসৰ্জন দিছিল। পত্নীৰ শেষ অনুৰোধ আছিল তেওঁৰ অস্থি ভাৰতৰ জন্মস্থানলৈ ঘূৰাই অনাটো যিটো কামনা অৰ্জুনে পূৰণ কৰিবলৈ ভাৰতলৈ আহিছিল। এই কাম সম্পূৰ্ণ কৰাৰ পাছত তেওঁ লণ্ডনস্থিত ঘৰলৈ উভতি যোৱাৰ পৰিকল্পনা কৰিছিল, য'ত তেওঁৰ ৪ আৰু ৮ বছৰীয়া কণমানি কন্যাই অপেক্ষা কৰি আছিল।

# এটা মৌ মাখিৰ বাবেই প্ৰাণ হেৰুৱালে সঞ্জয় কাপুৰে

**হায়দৰাবাদ, ১৩ জুন:** বলীউডৰ অভিনেত্ৰী কৰিশ্মা কাপুৰৰ প্ৰাক্তন স্বামী তথা ব্যৱসায়ী সঞ্জয় কাপুৰৰ হাৰ্ট এটেকত মৃত্যু ঘটিছে । ইংলেণ্ডত প'ল' খেলি থকা অৱস্থাত হৃদৰোগত আক্ৰান্ত হয় তেওঁ। প্ৰাপ্ত খবৰ অনুসৰি, খেলি থকাৰ সময়তে তেওঁৰ মুখত মৌ মাখি এটা সোমাই যায় আৰু ইয়ে তেওঁৰ দেহত এলাৰ্জীৰ সৃষ্টি কৰে আৰু সেই সময়তে তেওঁৰ হৃদক্ৰিয়া বন্ধ হৈ পৰে। ইয়াৰ পিছত তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও তেওঁক ৰক্ষা কৰিব পৰা নগ'ল।

# আধা বাটৰ পৰাই মুম্বাইলৈ ঘূৰিল লণ্ডন অভিমুখী বিমান

**নতুন দিল্লী১৩ জুন:** লণ্ডন অভিমুখী পথত এয়াৰ ইণ্ডিয়াৰ এখন বিমান আজি তিনি ঘণ্টা আকাশত থকাৰ পাছত মুম্বাইলৈ উভতি আহিবলগীয়া হয়। মুম্বাই-লণ্ডন বিমানখন পুৱা ৫:৩৯ বজাত বিমানবন্দৰৰ পৰা ৰাওনা হোৱাৰ পাছতে তিনি ঘণ্টা ধৰি আকাশত থাকে। এয়াৰ ইণ্ডিয়াই এক বিবৃতিত কয় যে ইৰাণৰ পৰিস্থিতি আৰু ইয়াৰ আকাশমাৰ্গ বন্ধ হোৱাৰ বাবে ইয়াৰ কেইবাখনো বিমান হয় ডাইভাৰ্ট কৰা হৈছে নহয় পুনৰ উৰণস্থললৈ ঘূৰি আহিছে। অপাৰেচন ৰাইজিং লায়ন আক্ৰমণত ইজৰাইলে ইৰাণৰ একাধিক পাৰমাণৱিক আৰু সামৰিক স্থানক লক্ষ্য কৰি লয়। ইয়াৰ কিছু ঘণ্টাৰ পাছত ইৰাণৰ অসামৰিক বিমান পৰিবহণ কৰ্তৃপক্ষই দেশখনৰ আকাশমাৰ্গ বন্ধ কৰাৰ কথা ঘোষণা কৰে। ইজৰাইলেও সম্পূৰ্ণ আকাশমাৰ্গ বন্ধ ঘোষণা কৰাৰ লগতে উত্তৰ আৰু দক্ষিণ সীমান্তত জৰুৰীকালীন সতৰ্কতা বৃদ্ধি কৰে। ইয়াৰ পাছতে এইদৰে যাত্ৰা বাতিল কৰিবলগীয়া হয় বিমানখনে। আন বহু বিমানৰ যাত্ৰাত ব্যাঘাত জন্মাৰ ফলত ঠায়ে ঠায়ে যাত্ৰীসকল আবদ্ধ হৈ পৰিছে।

শুৱালকুছি প্ৰৱেশদ্বাৰৰ সমীপতে মদৰ ঘাটি! ব্যৱসায়ীৰপৰা প্ৰতিমাহে ধন সংগ্ৰহৰ অভিযোগ

# শুৱালকুছিত অবৈধ সুৰাৰ মুকলি বেহা নীৰৱ দৰ্শকৰ ভূমিকাত আৰক্ষী-আবকাৰী

**ই-সংবাদ, শুৱালকুছি, ১৩ জুনঃ** ধৰ্ম আৰু কৰ্ম-সংস্কৃতিৰ মিলন ভূমি বস্ত্ৰনগৰী শুৱালকুছি। বস্ত্ৰ নগৰী শুৱালকুছি তথা ইয়াৰ দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলত গঢ়ি উঠা অবৈধ বিলাতী সুৰাৰ লগতে মাদক দ্ৰব্যৰ অবাধ প্ৰচলনে বৃহত্তৰ অঞ্চলৰ নৱপ্ৰজন্মৰ লগতে ধৰ্মীয়, সাংস্কৃতিক আৰু শৈক্ষিক পৰিবেশ বিনষ্ট কৰি একাংশ লোকে অবৈধভাৱে বিলাতী সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলাই অভিযোগ কৰিছে স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজে। উল্লেখ্য, কামৰূপৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত শুৱালকুছি আৰু শুৱালকুছিৰ দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলত দেখা গৈছে অবৈধ বিলাতী সুৰা তথা গাঞ্জাৰ ৰমৰমীয়া ব্যৱসায়। কামৰূপ আবকাৰী আৰু শুৱালকুছি আৰক্ষী থানাৰ নিষ্ক্ৰিয়তাত শুৱালকুছিৰ বিভিন্ন স্থানৰ লগতে বংশৰ-সানপাৰা, বৰবদ্দিয়া, গন্ধমৌ, শুৱালকুছি নৱনিৰ্মিত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সমীপত প্ৰতি মাহে লাখ লাখ টকাৰ অবৈধ সুৰা বিক্ৰী কৰাৰ তথ্য পোহৰলৈ আহিছে। বস্ত্ৰ নগৰী শুৱালকুছিৰ প্ৰৱেশদ্বাৰৰ সন্মুখত তথা বিজেপিৰ শুৱালকুছি মণ্ডল কাৰ্যালয়ৰ সমীপতে গঢ়ি উঠা অবৈধ সুৰাৰ ঘাটিৰ পৰা সুৰা ব্যৱসায়ীয়ে পুৱাৰ পৰা নিশালৈ যোগান ধৰে অবৈধ বিলাতী সুৰা। এটা ফোন কৰিলে ঘৰৰ পদুলিমুখত নতুবা সুৰা সেৱন কৰা লোকজনে বিচৰা স্থানতে সুৰা যোগান ধৰে অবৈধ সুৰা ব্যৱসায়ীয়ে। যাৰ পৰিপ্ৰেক্ষিতত বিলাতী সুৰা, নিচাযুক্ত দ্ৰব্যত আসক্ত আজিৰ যুৱ প্ৰজন্মই তিল তিলকৈ ধ্বংসৰ পিনে গতি কৰিছে। ইয়াৰ জ্বলন্ত উদাহৰণ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত যুৱ প্ৰজন্মৰ মাজত গঢ় লৈ উঠা নিচা জাতীয় দ্ৰব্যৰ সেৱনৰ মানসিকতা। সন্ধিয়া হ'লেই বিভিন্ন ৰাজহুৱা স্থানত তথা নিৰ্জন পথত সুৰা সেৱনৰ সুলভ দৃশ্য দিনে দিনে দ্ৰুত গতিত বৃদ্ধি হোৱা কাৰ্যত সচেতন ৰাইজ চিন্তিত হৈ পৰিছে। দল-সংগঠনৰ অভিযোগ-- শুৱালকুছি থানাৰ দাস উপাধিৰ গৃহৰক্ষী বিভাগৰ এজন জোৱানৰ নেতৃত্বত অবৈধ সুৰা ব্যৱসায়ীয়ে মেনেজ কৰি চলাই গৈছে অবৈধ সুৰাৰ ৰমৰমীয়া বেহা। অভিযোগ অনুসৰি অবৈধ সুৰা ব্যৱসায়ীৰ পৰা মাহিলি কিস্তিত ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে এই দাস উপাধিৰ জোৱানজনৰ বিৰুদ্ধে। শুৱালকুছি আৰক্ষী থানাত কৰ্মৰত এইজন দাস উপাধিৰ গৃহৰক্ষী জোৱানজনক নিয়ন্ত্ৰণ কৰাত শুৱালকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজন সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে বুলি অভিযোগ কৰে স্থানীয় সচেতন দল-সংগঠনে। এই ক্ষেত্ৰত কামৰূপ জিলা প্ৰশাসনক বৃহত্তৰ অঞ্চলৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক পৰিবেশ সুস্থ কৰি ৰাখিবলৈ সচেতন ৰাইজে আহ্বান জনাইছে।

## যোৰহাটত মাধৱদেৱৰ জন্মোৎসৱত মেধাৱী শিক্ষাৰ্থীক অভিনন্দন শংকৰ সংঘৰ উঃপঃ যোৰহাট আঞ্চলিকৰ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৩ জুনঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক শাখাই ৫৬১ নং দগাঁও প্ৰাথমিক শাখাৰ আতিথ্যত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ৫৩৭ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ কুসুম যোগনীয়া বৰনামঘৰত ১২ জুনত পালনৰ লগতে উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাক কৃতিত্বৰে উত্তীৰ্ণ ২৩ গৰাকী শিক্ষাৰ্থীক অভিনন্দন জনায়। ৰিতুমণি বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে যোৰহাট জিলা সাহিত্য শাখাৰ প্ৰাক্তন সভাপতি মৃদুল শইকীয়াই। নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় উত্তৰ-পশ্চিম যোৰহাট শাখা সাহিত্য সভাৰ সভাপতি শ্যামলীমা বৰাই। বিশিষ্ট অতিথিৰ ভাষণ আগবঢ়ায় ডাঃ কৃপাল কুমাৰ শৰ্মা, মাণিক চন্দ্ৰ বৰাই। বীৰেন হাজৰিকা, প্ৰদীপ কুমাৰ শইকীয়া, বিশ্ব বৰা, ঘনকান্ত শইকীয়া, তুলসী বৰা, ৰত্নধৰ বৰা, ৰুণী বৰা, চেনিৰাম বৰা, প্ৰফুল্ল বৰা উপস্থিত থকা সভাখনৰ আঁত ধৰে প্ৰাথমিক শাখাৰ সম্পাদক জয়ন্ত শইকীয়াই। পুৱা নাম-প্ৰসংগৰ পিছতে অনুষ্ঠিত সভাখনত মেধাৱী শিক্ষাৰ্থীসকলক অভিনন্দন জনায়।

## পুৰণিগুদামত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদত বহুসংখ্যকৰ যোগদান


**ই-সংবাদ, পুৰণিগুদাম, ১৩ জুনঃ** নিষ্পেষিত, শোষিত, লুণ্ঠিত, অৱহেলিত ৰাইজৰ হৈ মূলতঃ অসমত পূৰ্ণ স্বায়ত্তশাসন, দ্বি-নাগৰিকত্ব, আন্তঃৰাজ্যিক পাৰ-পত্ৰ প্ৰদানৰ মূল দাবীৰ লগতে বহুকেইটা আনুষংগিক দাবী লৈ ১৯৭৮ চনৰ ১২ মাৰ্চত জন্মলাভ কৰা অসমৰ অদ্বিতীয়, ভাৰত চৰকাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সপ্তমটো অৰাজনৈতিক জাতীয় সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নীতি-আদৰ্শ আৰু লক্ষ্যৰ প্ৰতি আকৃষ্ট হৈ পুৰণিগুদামৰ ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আজি পুৰণিগুদাম আঞ্চলিক সমিতিৰ কাৰ্যালয়ত যোগদান কৰে। আজিৰ কাৰ্যসূচীত উপস্থিত আছিল নগাঁও জিলা সমিতিৰ উপদেষ্টা পাৰ্থপ্ৰতিম বৈৰাগী, জিলা সমিতিৰ উপ-সভাপতি চন্দন ফুকন, যুটীয়া সম্পাদক দিব্যজিৎ হাজৰিকা আৰু পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকা, সাধাৰণ সম্পাদক মাহমুদৰ ৰহমান আৰু সাংগঠনিক সম্পাদক মিণ্টু ডেকা। জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদত যোগদান কৰা আটাইকেইজনকে আঞ্চলিক সমিতিৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হয়। লগতে অনাগত দিনত অসম আৰু অসমীয়া জাতিলৈ অহা প্ৰতিটো সংকট আৰু সমস্যাত জাতিৰ পক্ষত থিয় দি মাত মাতি যাবলৈ প্ৰতিজ্ঞাবদ্ধ হয়।

## দুনীত এনকেফেলাইটিছত আক্ৰান্ত মহিলা সংকটজনক অৱস্থাত চিকিৎসাধীন

**ই-সংবাদ, দুনী, ১৩ জুনঃ** পশ্চিম দৰঙত জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত মহিলা এগৰাকীক আইচিইউত ভৰ্তি কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত টেঙেৰা গাঁৱৰ নাজিমা বেগম নামৰ মহিলাগৰাকী জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ সাম্প্ৰতি সম্প্ৰতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। উলেখ্য যে ৪ দিন পূৰ্বৰে পৰা জ্বৰ আৰু মূৰৰ বিষত ভুগি থকা মহিলাগৰাকীক প্ৰথমে সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (AIMS) ত ভৰ্তি কৰোৱা হয়। কিন্তু চিকিৎসালয়ত কিছু শাৰীৰিক পৰীক্ষা নথকাৰ বাবে পৰিয়ালে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰে। কালি মহিলাগৰাকী জাপানীজ এনকেফেলাইটিছত ৰোগত আক্ৰান্ত হোৱা বুলি নিশ্চিত হোৱাত ৰাতি প্ৰায় ১১ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত সংকটজনক অৱস্থাত ভৰ্তি কৰে। সম্প্ৰতি মহিলাগৰাকীক আইচিইউত ভৰ্তি কৰোৱা হৈছে।

# অসুস্থ মাতৃ! ইংলেণ্ডৰ পৰা ঘৰলৈ উভতিল প্ৰশিক্ষক গম্ভীৰ

**লণ্ডন, ১৩ জুনঃ** ২০ জুনৰ পৰা আৰম্ভ হ'বলগীয়া ইংলেণ্ডত টেষ্ট শৃংখলাৰ মাত্ৰ কেইদিনমান পূৰ্বেই চিন্তাৰ ডাৱৰে ছানি ধৰিলে ভাৰতীয় ক্ৰিকেট শিবিৰক। পাৰিবাৰিক কাৰণত হঠাৎ খৰখেদাকৈ ঘৰলৈ উভতি আহিবলগীয়া হৈছে টিম ইণ্ডিয়াৰ মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰ। মাতৃৰ হাৰ্ট এটেকত আক্ৰান্ত হোৱাৰ বাবে তেওঁ দিল্লীলৈ উভতি আহে। ভাৰত আৰু ভাৰতৰ 'এ' দলৰ ৱাৰ্ম আপ মেচৰ পূৰ্বে ইংলেণ্ড এৰে গম্ভীৰে। যোৱা ১১ জুনত মাতৃ সীমা গম্ভীৰ হাৰ্ট এটেকত আক্ৰান্ত হৈ বৰ্তমান আই চি ইউত চিকিৎসাধীন হৈ আছে। অৱশ্যে চিকিৎসাৰ প্ৰতি সঁহাৰি জনাইছে আৰু পূৰ্বতকৈ বহু ভাল হৈছে বুলি জানিব পৰা গৈছে। এতিয়া মাতৃৰ কাষত উপস্থিত হৈছে গম্ভীৰ। সূত্ৰ অনুসৰি লিডছৰ হেডিংলিত প্ৰথমখন টেষ্ট আৰম্ভ হোৱাৰ মাত্ৰ তিনিদিন পূৰ্বে ১৭ জুনত তেওঁ পুনৰ দলত যোগদান কৰিব। এই জৰুৰী পৰিস্থিতিত ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ অনুমতি লৈ গম্ভীৰ ঘৰলৈ উভতি আহিছিল।



বৃহস্পতিবাৰে দলটোৰ অনুশীলনত তেওঁৰ অনুপস্থিতিও লক্ষ্য কৰা হৈছিল। ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ পাঁচখন টেষ্টৰ শৃংখলা ২০ জুনত আৰম্ভ হ'ব। প্ৰথমখন টেষ্ট লিডছত অনুষ্ঠিত হ'ব, তাৰ পিছত ২ জুলাইৰ পৰা এডগবাষ্টনত দ্বিতীয়খন টেষ্ট, ১০ জুলাইৰ পৰা লৰ্ডছত তৃতীয়খন টেষ্ট, ২৩ জুলাইৰ পৰা মানচেষ্টাৰৰ অল্ড ট্ৰেফৰ্ডত চতুৰ্থখন টেষ্ট আৰু ৩১ জুলাইৰ পৰা দ্য অ'ভালত আৰম্ভ হ'ব চূড়ান্ত টেষ্ট। এই গুৰুত্বপূৰ্ণ শৃংখলাৰ আগত প্ৰশিক্ষকৰ এই হঠাৎ অনুপস্থিতিয়ে ভাৰতীয় দলটোৰ ওপৰত কিছু প্ৰভাৱ পেলাব বুলি আশংকা কৰা হৈছে।




অষ্ট্ৰেলিয়া বনাম দক্ষিণ আফ্ৰিকাৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত আঘাতপ্ৰাপ্ত অষ্ট্ৰেলিয়াৰ ষ্টিভ স্মিথ

## গুৱাহাটী, ৰাজকোট, মোহালী, ইন্দোৰক ঘৰুৱা খেলপথাৰ বাছনি

# ২০২৬ৰ আৰম্ভণিতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলপথাৰত নামিব টীম ইণ্ডিয়া

**নতুন দিল্লী, ১৩ জুনঃ** অহা বছৰৰ আৰম্ভণিতে ঘৰুৱা ক্ষেত্ৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া টি-২০ আৰু এদিনীয়া শৃংখলাৰ স্থান চূড়ান্ত কৰাৰ কাষ চাপিছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড। খবৰ অনুসৰি পাঁচখন টি-২০ আৰু তিনিখন এদিনীয়াৰ এই আঠখন মেচৰ বাবে সৰু চহৰক বাছি লোৱা হ'ব পাৰে। যদিও এই বিষয়ত ব'ৰ্ডৰ পৰা এতিয়ালৈকে কোনো আনুষ্ঠানিক ঘোষণা হোৱা নাই, তথাপিও শনিবাৰে ব'ৰ্ডৰ শীৰ্ষ সমিতিৰ বৈঠকত চূড়ান্ত সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। এটা ক্ৰিকেট ৱেবছাইট অনুসৰি সম্ভাব্য স্থানসমূহৰ ভিতৰত আছে মোহালী, জয়পুৰ, ৰাজকোট, গুৱাহাটী, নাগপুৰ, ইন্দোৰ আৰু তিৰুৱনন্তপুৰম। আই পি এল উদযাপনৰ গাইডলাইন আৰু আগন্তুক ঘৰুৱা ক্ৰিকেট ছিজনৰ সূচীও এই বৈঠকত চূড়ান্ত হ'ব পাৰে। চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত অনুষ্ঠিত হ'ব এছিয়া কাপ। ইয়াৰ পিছত আহমেদাবাদ আৰু দিল্লীত অনুষ্ঠিত হ'ব ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দুখন টেষ্ট মেচ। ইয়াৰ পিছত ভাৰতে অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিব হোৱাইট বল ক্ৰিকেটত, য'ত ১৯ অক্টোবৰৰ পৰা ৮ নৱেম্বৰলৈ তিনিখন এদিনীয়া আৰু পাঁচখন টি-২০ মেচৰ শৃংখলা অনুষ্ঠিত হ'ব। দক্ষিণ আফ্ৰিকাই নৱেম্বৰ-ডিচেম্বৰত ভাৰত ভ্ৰমণ কৰি তিনিটা ফৰ্মেটৰ শৃংখলা খেলিব। এই শৃংখলাৰ দুখন টেষ্টৰ ভিতৰত এখন কলকাতাত অনুষ্ঠিত হ'ব, লগতে চাৰিখন টি-২০ আৰু তিনিখন এদিনীয়া মেচ অনুষ্ঠিত হ'ব। ইয়াৰ পিছত নতুন বছৰৰ আৰম্ভণিতে নিউজিলেণ্ডৰ বিৰুদ্ধে পূৰ্বতে উল্লেখ কৰা শৃংখলা অনুষ্ঠিত হ'ব। তাৰ ঠিক পিছতেই ফেব্ৰুৱাৰী-মাৰ্চত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপ, য'ত ভাৰতে ডিফেণ্ডিং চেম্পিয়ন হিচাপে খেলপথাৰত প্ৰৱেশ কৰিব। ইয়াৰ পিছত আৰম্ভ হ'ব আই পি এল। অৰ্থাৎ ঘৰুৱা আৰু বিদেশত টিম ইণ্ডিয়াৰ বাবে অপেক্ষা কৰি আছে দীঘলীয়া আৰু ভৰপূৰ সূচী। ইতিমধ্যে এইসমূহ খেলৰ বাবে নিজকে সাজু কৰি তুলিছে বিচিচিআইয়ে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি